ৰঘুপতি ৰাঘৱ ৰাজা ৰাম
পতিত পাৱন সীতা ৰাম
ঈশ্বৰ অল্লাহ তেৰে নাম
সৱকো সম্মতি দে ভগৱান

SOCIAL EDUCATION
ASSAM

বাপু—মোৰ আই

লেখিকা

মনু গান্ধী

অনুবাদিকা

কুবজী দেচাই

অনুবাদক

উপেন্দ্ৰ গোস্বামী

লয়াৰ্চ বুক ষ্টল

গুৱাহাটী : অসম

প্ৰকাশক :
শ্ৰীবিচিত্ৰনাৰায়ণ দত্তবৰুৱা, বি এল
লয়াৰ্চ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰথম প্ৰকাশ : ১৯৫০ চন,
দ্বিতীয় প্ৰকাশ : ১৯৫৭ চন

গ্ৰন্থকাৰৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত

"নৱজীৱন ট্ৰাষ্ট, অহমদাবাদ"ৰ
অনুমতিক্ৰমে

বেচ : ১।০ এটকা চাৰি অনা

মুদ্ৰাকৰ :
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬, গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

এষাৰ কথা

(প্ৰথম প্ৰকাশ)

বাপুৰ জীৱন পখীটি উৰা মাৰি গৈ 'অসীমৰ অচিন বাট'ত লুকোৱাত ভাৰতৰ জনগণ তথা বিশ্ববাসীসকল ম্ৰিয়মান হৈছে। কাৰণ তেওঁ আছিল ভাৰতৰ ভাগ্যবিধাতা —বিশ্বপিতা। তেওঁ নৰদেহ ধাৰণ কৰে জগতৰ পদদলিত, লাঞ্ছিত, ঘৃণিত জনৰ উদ্ধাৰ হেতু আৰু ইয়াৰ কাৰণেই তাক ত্যাগো কৰিলে। তেওঁ নিজেই লিখিছে, "অপৰিষ্কাৰক পৰিষ্কাৰ কৰাটোৱেই মোৰ কাম।" সেই বাবেই তিনিকুৰি উনৈশ বছৰ বয়সতো মাথোন তিনি ঘণ্টা সময় জিৰণি লৈ অকলে লাখুটি এডালক আশ্ৰয় কৰি গুৰুদেৱৰ 'একলা চলো ৰে' গীত গাই গাই নোৱাখালীৰ বিজন প্ৰান্তৰত ঘূৰি ফুৰিছিল। গান্ধিজীয়ে ইংৰাজ শক্তিৰ বটগছ জোপা উভালি পেলাওঁতেও একো কষ্ট অনুভৱ কৰা নাছিল, কিন্তু সাম্প্ৰদায়িক বৰবিহৰ পুলিটোৱে তেওঁক জুৰুলা কৰি তুলিলে। সেয়েহে তেওঁ কৈছিল—"ভাই ভাই কটাকটি কৰা চাবলৈ মই জীয়াই থাকিবলৈ নোখোজোঁ। হয়তো ভাৰতবৰ্ষ শুদ্ধ হৈ যাওক নাইবা মই নাথাকোঁ।"

নোৱাখালীৰ মহাযজ্ঞই গান্ধিজীৰ শেষ যজ্ঞ। এই যজ্ঞত তেওঁৰ একমাত্ৰ লগৰীয়া আছিল তেওঁৰ নাতিনীয়েক মনু গান্ধী। জীৱনৰ শেষ মুহূৰ্ত্তলৈকে তেওঁ তেওঁৰ ওচৰত আছিল। এই অকণমানি পুথিখনিত তেওঁ, মহাযজ্ঞত গান্ধিজীৰ কাৰ্য্যসূচীৰ লগতে দেশৰ ডাঙৰ ডাঙৰ সমস্যা সমাধানত ব্যস্ত

থাকিও দৈনন্দিন জীৱনৰ সৰু-সুৰা কথাবোৰতো চকু দি বাপুৱে কেনে ৰং পাইছিল আৰু তাৰ মাজতে লুকাই থকা জাতীয় জীৱন গঠনৰ বীজবোৰ কেনেভাবে উন্মুকিয়াই দিছিল আদি কথাবোৰ অলপো অতিৰঞ্জিত নকৰাকৈ বৰ্ণনা কৰিছে। ইয়াৰ মাজেৰে গান্ধিজীৰ মনোবৈজ্ঞানিক বিশ্লেষণ এটাও দেখা গৈছে।

মনু গান্ধীয়ে প্ৰথমতে কিতাপখন গুজৰাটী ভাষাত লিখে। পিচত কুৰঙ্গী দেচায়ে **'বাপু—মেৰী মা'** নামেৰে তাৰ হিন্দী অনুবাদ কৰি উলিয়ায়।

এনেকুৱা কিতাপ এখনৰ অসমীয়া ভাঙনিৰ আৱশ্যকতা অনুভৱ কৰি ৱাৰ্দ্ধাত থকা সময়তে ১৯৪৯ চনত কিতাপখন অনুবাদ কৰা হয়।

(দ্বিতীয় প্ৰকাশ)

ইংৰাজী আৰু ভাৰতৰ বিভিন্ন ভাষাত অনূদিত এই কিতাপখন অসমীয়া ৰাইজে মৰমৰ চকুৰে চোৱা কাৰণে ১৯৫০ চনৰ ছপা এহেজাৰখন কিতাপ কেতিয়াবাই শেষ হ'ল। তথাপি কিতাপখন বহুতে বিচৰা কাৰণে পুনৰ ৰাইজৰ হাতত দিয়া হ'ল। এইখিনিতে শ্ৰীযুত বিচিত্ৰনাৰায়ণ দত্ত বৰুৱাই কিতাপখনৰ ছপোৱা ভাৰ গাত লোৱা কাৰণে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

উপেন গোস্বামী

গুৱাহাটী

সূচী

১।	বা আৰু বাপুৰ কোলাত	...	১
২।	বাপু আই হ'ল	...	১০
৩।	গীতাৰ গুৰু	...	১৭
৪।	প্ৰকৃত শিক্ষা কোনটো ?	...	২১
৫।	দুটা খণ্ডৰ পৰিগ্ৰহ	...	২৭
৬।	অনিয়মিততা এটা দোষ	...	৩৩
৭।	শিল এটুকুৰা পাহৰাৰ শিকনি	...	৩৪
৮।	বাপুৰ লোভ	...	৩৮
৯।	কোৱাতকৈ কৰা ভাল	...	৩৯
১০।	ৰামেই আচল ডাক্তৰ	...	৪৩
১১।	'আজি হেৰা আজিৰ দিনত'	...	৪৭
১২।	'একলা চলো ৰে'	...	৫৪
১৩।	ফুলৰ মালাৰে স্বাগত	...	৬১
১৪।	কলিকতাৰ আশ্চৰ্য্য	...	৬৫
১৫।	বাপুৰ জন্ম দিন	...	৭১

বা আৰু বাপুৰ কোলাত

বাপু কিমান লৰা-ছোৱালীৰ মাক-বাপেক আছিল, কিমান শিষ্যৰ গুৰু আছিল, কিমানৰ মানত তেওঁ ককাইদেউ আছিল, কিমানৰ বৈদ্য, কিমানৰ ডাক্তৰ আৰু কিমানৰ তেওঁ সেৱক আছিল, কিমান দুখীয়াৰ তেওঁ বন্ধু আছিল! ওঁ, তেওঁতো ৰাষ্ট্ৰপিতা আছিল। ইয়াতেই তেওঁৰ সকলোবোৰ গুণ সন্নিবিষ্ট হৈছিল। কিন্তু মোৰতো তেওঁ আইহে আছিল। সাধাৰণতে পুৰুষে মাতৃৰ স্থান অধিকাৰ কৰিব নোৱাৰে। কিয়নো ভগবানে মতাক তিৰোতাৰ নিচিনা বাৎসল্য ৰসেৰে পৰিপূৰ্ণ হৃদয় দিয়া নাই। মাতৃসকলক—জননীসকলকহে তেওঁ এইটো দান দিছে। কিন্তু বাপু পুৰুষ হৈও ভগবানৰ এই বিচিত্ৰ দানৰ পাত্ৰ হৈছিল।

যেনেকৈ মাকে লৰা-ছোৱালীক ডাঙৰ দীঘল কৰে সেইদৰে বাপুৱেও মোক ডাঙৰ দীঘল কৰিছিল। এনেয়েতো তেওঁৰ তত্বাৱধানত বহুতো ছোৱালী ডাঙৰ দীঘল হৈছিল। কিন্তু তেওঁ মোক বাৰে বাৰে কৈছিল—“মই তোমাৰ মাৰা হৈছোঁ নহয়? এনেইতো মই বহুতৰে পিতা; কিন্তু আই কেৱল তোমাৰেই।”

পিতাকে লৰা-ছোৱালীৰ জীৱন গঢ়ি তোলাত সকলো প্ৰকাৰে অংশ গ্ৰহণ কৰা সংসাৰৰ এটা সাধাৰণ নিয়ম। কিন্তু ছোৱালীৰ কাৰণে মাকে যিখিনি কৰে তাৰ ওপৰতেই সকলো নিৰ্ভৰ কৰে। আজিও সকলো ছোৱালী শহুৰেকৰ ঘৰলৈ যায়। আৰু যদি ছোৱালী পাৰ্গত নহয়, তেনেহলে শাহুৱেক আৰু ননন্দ আদিয়ে ব্যঙ্গ কৰে—'মাৰাই কিবা শিকাইছিল নে নাই?" কোনোৱে বাপেকৰ দোষ মুলিয়ায়।

১৯৪২ চনত কস্তুৰবা জেলত থকা অৱস্থাত মই নাগপুৰ জেলত আছিলোঁ। সেই সময়ত মোৰ বয়স কেৱল চৈধ্য বছৰ আছিল। মোৰ বাৰ বছৰ বয়সতে মোৰ জন্মদাত্ৰী আয়ে ইহ-সংসাৰৰ পৰা বিদায় লৈছিল। কিন্তু তেওঁৰ শুভ আশীৰ্ব্বাদত কেইদিন মান পিছতেই মই কস্তুৰবাৰ কোলাত স্থান পাইছিলোঁ। মই মাতৃহীনা এই কথাষাৰ অনুভব কৰিবলৈও বায়ে মোক অৱসৰ দিয়া নাছিল। বিয়াল্লিছ চনত ইংৰাজ চৰকাৰে যেতিয়া বা আৰু বাপুক কাৰাৰুদ্ধ কৰে তেতিয়া মই বা-ৰ পৰা আঁতৰি থাকিব লগাত পৰিলোঁ। কিন্তু সৌভাগ্যক্ৰমে ন মাহ নাগপুৰ জেলত কাৰাবাস ভোগাৰ পিচত পুনৰ মই সেই অলৌকিক মাতৃৰ সেৱা কৰিবলৈ সুযোগ পালোঁ। সৌভাগ্যক্ৰমে পুনৰ সেই দয়ালু আইৰ কোলাত উঠিবলৈ পালোঁ। এইবাৰ মই বা-ক দেখা পাম বুলি সপোনতো ভৱা নাছিলোঁ! কিন্তু মানুহৰ শ্ৰদ্ধা একেবাৰে বিফলে নাযায়।

বাপুৰ উপবাসৰ পিচত বা হৃদ্-ৰোগৰ দ্বাৰা আক্ৰান্ত হৈছিল। এই ৰোগে তেওঁক বাৰে বাৰে আক্ৰমণ কৰিবলৈ ধৰিলে। সেই সময়ত বাই কৈছিল—"যদি মন্থক মাতিব পৰা হয় তেনেহ'লে মোক সেইজনী ছোৱালীহে লাগে।" ইতিমধ্যে বা-ক হৃদ্-ৰোগে ভাল দৰে আক্ৰমণ কৰিলে। সুশীলা বহন আৰু ডাঃ গিল্ডৰকো নাৰ্চৰ সহায়ৰ আৱশ্যক হৈছিল। কিয়নো এওঁলোক দুজনেই বাপু আৰু বা-ৰ তত্ত্বাৱধান লৈছিল। এওঁলোকে চৰকাৰৰ ওচৰত মোক খুজি পঠালে। চৰকাৰতো সেই সময়ত ওলোটা ধৰণৰ আছিল। মোৰ নিচিনা সৰু ছোৱালী এজনীয়ে ৰাজনীতিৰ একো বুজে নাপায়। এতেকে চৰকাৰে মোক বাপুৰ ওচৰত ৰখাটো বিপদজনক বুলি ভবাৰ একো কাৰণ নাই। অৱশেষত ৰাজাজী আৰু দেৱদাস গান্ধীৰ চাৰ টোটনহাম আৰু লৰ্ড লিন্‌লিথগোৰ সৈতে এই বিষয়ে বাদানুবাদ চলে। শেষত তেওঁলোক কৃতকাৰ্য্য হয় আৰু মোক নাগপুৰ জেলৰ পৰা আগাখাঁ প্ৰাসাদলৈ পঠোৱা হয়। মোক বাপু আৰু বা-ৰ ওচৰলৈ যাবলৈ কোৱাত বহুতেই আচৰিত মানিলে আৰু বহুতৰ ঈৰ্ষাও হ'ল। মানুহৰ মাজত এই বিষয়ে আলোচনা হবলৈ ধৰিলে। তেওঁলোকে কবলৈ ধৰিলে, "আমি ইমান বছৰৰ পৰা বাপুৰ লগতে আছোঁ তথাপি আমি বাপুৰ ওচৰ চাপিবলৈ সুবিধা নাপাওঁ। এই ছোৱালী জনীয়ে বা-ৰ কি সেৱা-শুশ্ৰূষা কৰিব।" কিন্তু মই হলে ভগৱানৰ ওপৰত

যিমান শ্ৰদ্ধা ৰাখোঁ বাপু আৰু বা-ৰ ওপৰত তাতকৈ কোনো গুণেই কম নাৰাখোঁ।

ইয়াৰ আগতে পূজ্য বাপুজীৰ উপবাসৰ সময়ত যেতিয়া মোৰ পিতাদেউ বাপুৰ সৈতে দেখা সাক্ষাৎ হবলৈ জেললৈ যায়, তেতিয়া বাই তেওঁক মোৰ খবৰ সুধিছিল। তেওঁ কৈছিল যে মনু বৰ দুৰ্ব্বল হৈছে। তাইৰ চকুও বেয়া হৈছে। তেতিয়াৰ পৰাই বা-ৰ মাতৃ-হৃদয় নিজৰ ছোৱালীক চাবলৈ উৎসুক হৈ আছিল। আগাখাঁ প্ৰাসাদৰ দুৱাৰ মুখ পাই মই দেখোঁ যে বাই আগ্ৰহেৰে থিয় হৈ মোৰ কাৰণে বাট চাই আছে। জেলৰ নিয়ম অনুসৰি চুপাৰিণ্টেণ্ডেণ্টে মোৰ মাল-পত্ৰ পৰীক্ষা কৰিবলৈ ধৰিলে। কিন্তু বাই সেইখিনি সময়ো অপেক্ষা কৰিব নোৱাৰাত পৰিল। তেওঁ অধীৰ হৈ চুপাৰিণ্টেণ্ডেণ্টক কলে—“আপুনি তাইৰ পৰা চাবিজোতা লওক আৰু তাইক সোনকালে ভিতৰলৈ আহিবলৈ দিয়ক।”

সৌভাগ্যক্ৰমে এনে হেন কৰুণাময়ী বা-ৰ সেৱা কৰিবলৈ মই তেৰ মাহ সময় পাইছিলোঁ। আগৰ নিচিনাই মোৰ খোৱা-লোৱা, লিখা-পঢ়া, কাম কৰা, বিশ্ৰাম-লোৱা সকলো কথাতেই বাই চকু দিবলৈ ধৰিলে। মোৰ ওপৰত ভগবানে এই খিনি দয়া কৰা কাৰণে তেওঁক মই অন্তৰৰ পৰা প্ৰণাম জনাইছিলোঁ। অত্যন্ত জাবেই হওক বা জহেই হওক যেতিয়াই বা-ৰ টোপনি নাহে তেতিয়া তেওঁ হয়তো মোৰ বিচনালৈ আহে নাইবা মোকেই তেওঁৰ বিচনালৈ মাতি নিয়ে

আৰু কয়—"বেটী, তই শো, গোটেই দিনটো কাম কৰোঁতে কৰোঁতে ভাগৰ লাগিছে। মোৰ টোপনি লগা নাই। সেই কাৰণে মই তোক মোৰ ওচৰলৈ মাতি আনিছোঁ।" মাকে যেনেকৈ সৰু লৰাক শুৱাই থয় ঠিক সেইদৰে তেৰোঁ মোক পিঠিত থপৰিয়াই থপৰিয়াই শুৱাই থয়।

১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰীৰ দিনা ঈশ্বৰে মোৰ এনে হেন স্নেহময়ী আইক মাতি লৈ গ'ল। সিদিনাখনতো মই শিলৰ মূৰ্ত্তিৰ নিচিনা তেওঁৰ ওচৰত থিয় হৈ চকু-পানী টুকি আছিলোঁ। আৰু বাই বাপুৰ কোলাত মূৰ থৈ ৰামধুন আৰু গীতাৰ শ্লোক শুনি শুনি ইহ-সংসাৰৰ পৰা বিদায় লোৱা দৃশ্য চাই আছিলোঁ। বাই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিল। মোকো তেওঁ কবলৈ ধৰিলে—"বেটী, তই মোৰ বহুত সেৱা কৰিছ। ঈশ্বৰে তোক সুখে ৰাখক।" মোৰ পিতাক সম্বোধন কৰি কলে—"এতিয়া মই আহিলোঁ।" বাপুৰো চকুৰ পানী ববলৈ ধৰিলে।

(মোৰ চৈধ্য বছৰ বয়সৰ ভিতৰত প্ৰথমবাৰ বা-বেই মৃতদেহ আৰু অগ্নিদাহ কাৰ্য্য দেখিছিলোঁ। আৰু দ্বিতীয়বাৰ পূজ্য বাপুজীৰ অন্তিম যাত্ৰা। বাপু আৰু বা-ৰ লগত জীৱনৰ শেষ মুহূৰ্ত্তলৈকে থাকিবলৈ সুবিধা পোৱা কাৰণে আন মানুহে মোক বৰ ভাগ্যৱতী বুলি কয়। কিন্তু মই এতিয়াও নিশ্চয়কৈ কব নোৱাৰোঁ যে মই ভাগ্যৱতী নে ভাগ্যহীনা।)

বা-ৰ মৃত্যুৰ পিচত কিছুদিনৰ কাৰণে ঈশ্বৰৰ ওপৰত মোৰ

শ্ৰদ্ধা কমি গৈছিল। মই ভাবিবলৈ ধৰিলোঁ—“মৃত্যুৰ শেষ মুহূৰ্ত্তলৈকে মোৰ ইমান খবৰ ৰাখোঁতা বা-ক ঈশ্বৰে কিয় মাৰি নিলে ?” বাপুই মোক ভজন গাবলৈ কোৱাত মই নজনা হিচাবেই উত্তৰ দিলোঁ—“ঈশ্বৰে মোৰ বা-ক মাৰি নিলে। এতিয়া মই তেওঁৰ নামেই নলম।” কেতিয়াবা অজ্ঞানতা বশতঃ এনেকুৱা কথা কোৱাৰ পৰিণাম বৰ ভয়াবহ হয়। এই বিষয়ে মোৰ যথেষ্ট অনুভৱ হৈছিল।

বা-ৰ মৃতদেহ সংকাৰৰ পিচত সিদিনাখন ৰাতি বাপুই মোক নিজৰ ওচৰলৈ মাতি নিলে আৰু বা-ৰ কেইবাবিধো বস্তু মোৰ হাতত দিলে। তাৰ ভিতৰত তেওঁৰ সোণখটোৱা হাতিদাঁতৰ দুপাত পুৰণি চুৰী, তুলসীৰ মালা এধাৰী, কঁকালত বন্ধা ফিটা এডাল, তেওঁ ব্যৱহাৰ কৰা কুংকুম, খৰম আদি কেইবাবিধো বস্তু আছিল। এই বস্তুবোৰ মোৰ হাতত দি বাপুৱে কলে—“চোৱা, বাই তোমাৰ বৰ প্ৰশংসা কৰিছিল। সেই কাৰণে অৱশিষ্ট এইবোৰ বস্তুৰ গৰাকীও তুমিয়েই। মই এইবোৰ তোমাকেই দিবলৈ ঠিক কৰিছোঁ। ভৰতে যেনেকৈ ৰামৰ সলনি ৰামৰ খৰম জোৰকে গাদীৰ ওপৰত থৈ তাৰ পৰা অনুপ্ৰেৰণা পাইছিল, ঠিক তেনেদৰে তুমিও এই বস্তুবোৰৰ পৰা প্ৰেৰণা লাভ কৰা। আকৌ বা কেনে সতীসাধ্বী আছিল চোৱাচোন। তেওঁৰ সতীত্বৰ প্ৰমাণ স্বৰূপে এই চুৰী কেইপাত কেবা মোনো খৰিৰ জুইৰ মাজৰ পৰা অলপো নভঙা-নিছিঙাকৈয়ে ওলাইছে।”*

এতিয়া এইটো আলোচনা হবলৈ ধৰিলে যে চৰকাৰে হেনো মোক আৰু বাপুৰ ওচৰত থাকিবলৈ নিদিব। কিয়নো মোকতো বা-ৰ কাৰণেহে ইয়াত ৰখা হৈছিল, মধ্য প্ৰদেশৰ চৰকাৰেতো মোক কেতিয়াবাই এৰি দিছিল। কিন্তু বা-ৰ অসুখৰ কাৰণে সেৱা-শুশ্ৰূষা কৰিবলৈ আগাখাঁ প্ৰাসাদত থাকিবৰ কাৰণে মই চৰকাৰক প্ৰাৰ্থনা জনাইছিলোঁ আৰু চৰকাৰেও সেইটো মানি লৈছিল।

এতিয়া মোৰ ইয়াত থকাৰ কোনো প্ৰয়োজন নাই। সেই কাৰণে মোৰ মনত এইটো প্ৰশ্ন উঠিল যে বিধাতাইতো মোক বা-ৰ পৰা বঞ্চিত কৰিলেই, এতিয়া বাপুৰ পৰাও মোক বঞ্চিত কৰিবনে কি ? এইবোৰ ভাবি-চিন্তি মোৰ মনত দুখ লাগিছিল। এদিনাখনতো ৰাতি মই টোপনিতে চক খাই উঠিছিলোঁ। আৰু দুবাৰমান সুশীলা বহন আৰু বাপু আহি মোক থপৰিয়াই থপৰিয়াই শুৱাই থৈ গৈছিল। দ্বিতীয় দিনাখন বাপুৰ মৌনব্ৰতৰ দিন। সেয়েহে তেওঁ ৰাতিপুৱা চাৰি বজাতেই মোলৈ তলৰ চিঠিখনকে লিখি থৈছিল :—

---

* মহাৰাষ্ট্ৰীয় প্ৰথা অনুসৰি আমি বা-ৰ পেটৰ ওপৰত কাঁচৰ নীলা পাঁচপাত চুৰী, নাৰিকল, তিল আদি বস্তু বান্ধি দিছিলোঁ। দ্বিতীয় দিনাখন ছাইৰ মাজৰ পৰা চুৰী কেইপাত নভঙা নিছিগাকৈয়ে ওলাইছিল। সেই সতীৰ চিন স্বৰূপে আজিও এপাত মোৰ হাতত আছে।

"মনুৰী,

তোমাৰ ভাল টোপনিও হোৱা নাই। তোমাক আৰু প্ৰভাৱতীক (শ্ৰীজয়প্ৰকাশ নাৰায়ণৰ ঘৈণীয়েক) ৰাখিবৰ কাৰণে কালি এখন দীঘল চিঠি লিখিছোঁ, কিন্তু তাৰ চিন্তাতেই ৰাতি টোপনি নহ'ল। অৱশেষত পোহৰ হবলৈ ধৰিলে। এইটো আমি দাবী কৰিব নোৱাৰোঁ। যদি কৰোঁ তেনেহলে ই আৰু কিহৰ জেল? বিয়োগ যন্ত্ৰণা আমি সহ্য কৰিবই লাগিব।

তুমিতো এজনী জনা-বুজা ছোৱালী। দুখৰ কথা পাহৰি যোৱা। আগলৈ তুমি বহুত ডাঙৰ ডাঙৰ কাম কৰিব লাগিব। কান্দিবলৈ এৰা। হাঁহি-তামচা কৰি থাকা। বাহিৰলৈ গৈ যি খিনি শিকিব পাৰা শিকা। যিখিনি সেৱা কৰিছা তাৰ পৰা তোমাৰ সকলো অৱস্থাতে মঙ্গলেই হব। তোমাৰ কাৰণে মোৰ বৰ চিন্তা লাগি থাকে। তোমাৰ নিচিনা ছোৱালী অকল তুমিয়েই—সবলা আৰু পৰোপকাৰী। সেৱাক তুমি নিজৰ ধৰ্ম্ম কৰি লৈছা। কিন্তু তুমি এতিয়াও লিখা-পঢ়া নজনা আৰু তুমি মূৰ্খও। যদি লিখা-পঢ়া নকৰা তেনেহলে শেষত অনুতাপ কৰিবা। আৰু যদি মই জীয়াই থাকোঁ তেনেহলে ময়ো অনুতাপ কৰিম। তোমাক এৰি মোৰো ভাল নালাগে। আনহাতে তুমি মোৰ ওচৰত থকা কথাটোও সিমান ঠিক নহয়। কিয়নো এইটো দোষৰ কথা। ইয়াৰ নামেই মোহ। মই ভাবোঁ যে তুমি ৰাজকোটলৈ

যোৱাই ভাল। তাত তুমি নাৰায়ণ দাসৰ লগত থাকিব পাৰিবা। তাত থাকিলে কামৰ কৌশল শিকিব পাৰিবা। সংগীতো শিকিব পাৰিবাই। আৰু বাকী যিমানখিনি পাবা শিকিবা। অন্ততঃ এবছৰ ৰাজকোটত থাকিলে তুমি জনা-বুজা হবা। তাৰ পিচত কৰাচী নাইবা আন কোনো এঠাইলৈ যাবা। (কৰাচীত মোৰ পিতা আছিল। বাপুৰ ওচৰলৈ অহাৰ আগতে মই তেওঁৰ লগত আছিলোঁ আৰু ইংৰাজীৰ ৫ম মান শ্ৰেণীলৈ পঢ়িছিলোঁ।) কৰাচীত গুৰুদয়াল মালিক থাকে। কিন্তু তেওঁ এতিয়া তাত নাথাকিব। গতিকে তালৈ গলে কেৱল পঢ়াহে হব। এইটোও কৰিবলগীয়া কামৰ ভিতৰত। বেছি ছোৱালীৰ মাজত থকাও ভালেই। কিন্তু ৰাজকোটত তুমি যিখিনি পাবা সেইখিনি আন কোনো ঠাইত নোপোৱা। মোৰ মৌনব্ৰত ভঙ্গ হলে বহলাই কম। তোমাৰ আই ময়েই নহওঁ নে! এইখিনি বুজিলেই যথেষ্ট হব।

আগাখাঁ প্ৰাসাদ, পুনা, তাং ২৭-২-৪৪

বাপুৰ আশীৰ্ব্বাদ।

এই চিঠিখন ভালদৰে ৰাখিবা।"

কিন্তু সৌভাগ্যক্ৰমে মই বাপুৰ ওচৰৰ পৰা আতৰি যাব লগাত নপৰিল। বাপুৰ লগতেই ময়ো আগাখাঁ প্ৰাসাদৰ পৰা বাহিৰলৈ আহিলোঁ।

বাপু আই হ'ল

বা গুচি গ'ল, আৰু সিদিনাৰ পৰাই বাপুৱে মোক নিচিনা ১৪-১৫ বছৰীয়া ছোৱালীৰ তত্ত্বাৱধান লবলৈ আৰম্ভ কৰিলে। স্বাভাৱিকতেই এনে বয়সত ছোৱালীয়ে মাকৰ ওচৰত থাকিবলৈ ভাল পায়। যদি সকলো পৰাই মাকৰ লগতে থাকে তেনেহলে এনে বয়সত মাকৰ আৰো বেছি ওচৰ চাপিবলৈ ইচ্ছা কৰে। সেই কাৰণে বাপুৱে মোক তেওঁৰ ওচৰতে ৰাখিবলৈ ধৰিলে। মোৰ খোৱা-লোৱা, লিখা-পঢ়া, অহা-যোৱা, ভাল-বেয়া, আনকি প্ৰত্যেক সপ্তাহত মই মূৰ ধোৱা নে নাই আদি সকলো বিষয়তে তেওঁ সতৰ্ক হবলৈ ধৰিলে। এনে সতৰ্কতা তেওঁ শেষলৈকে ৰাখিছিল।

বাপুজী নোৱাখালীলৈ যোৱা সময়ত মই মহুৱাত (কাঠিয়াবাৰত, সৌৰাষ্ট্ৰত) আছিলোঁ। মই চিঠি লিখি তেওঁৰ লগত থকাৰ ইচ্ছা প্ৰকাশ কৰিলোঁ। সেইবাৰে তেওঁ মোক টেলিগ্ৰাম দি মতাইছিল। মই শাৰী পিন্ধা অৱস্থাতেই বাপুৰ ওচৰ পালোঁগৈ। সচৰাচৰ শুদা মূৰেৰে থকাৰ অভ্যাস মোৰ নাই। কিন্তু বাপুক দেখা মাত্ৰকে যেতিয়া মই প্ৰণাম কৰিলোঁ, তেতিয়া মোৰ মূৰটো উদং হৈ গ'ল। মোৰতো সেইবোৰৰ খবৰেই নাছিল। কিয়নো মই বাপুৰ কোলাত মূৰ থোৱাৰ লগতেই বাপুৱে মোৰ কাণত ধৰি কৈছিল—"কিয় আহিলা?" কিন্তু ইয়াৰ পাচত ৰাতি (তাং ১৯।১২।৪৬

বৃহস্পতিবাৰ, শ্ৰীৰামপুৰ) বাপুৱে মোক কলে—“গুজৰাটী শাৰী ধুলনী খোৱা আৰু মটৰত উঠি ফুৰা সেই বাবুৱনী সকলেহে পিন্ধে। আকৌ গুজৰাটী শাৰী পিন্ধি মূৰ উদংকৈ ৰাখিলে দেখাত সিমান শুৱনি হৈ নুঠে। যদি গুজৰাটী শাৰীয়েই পিন্ধা তেনেহলে ‘বা’ নাইবা প্ৰাচীন কালৰ তিৰোতা সকলে যেনেধৰণে পিন্ধিছিল, তেনেধৰণে পিন্ধিব লাগে। তেওঁলোকৰ মূৰ কেতিয়াও উদং নহৈছিল। কেতিয়াবা উদং হলেও তৎক্ষণাৎ সাৱধানে ঢাকি লৈছিল। এইখিনি সাৱধান হোৱা উচিত।” (ইমান খিনি কোৱা সত্বেও বাপুৱে এইবিলাক কথা কিয় কৈছে মই ভাবিব পৰা নাছিলোঁ।)

তেওঁ পুনৰাই কবলৈ ধৰিলে—“মই জানো যে সাৰী পিন্ধি তুমি বা নাইবা আন তিৰোতাৰ নিচিনা সাবধানে থাকিব নোৱাৰিবা। এই কাৰণে যদি তুমি মোৰ ইয়াতে থাকা তেনেহলে আগাখাঁ প্ৰাসাদত যেনেকৈ পঞ্জাবী কাপোৰ পিন্ধিছিলা তেনেকুৱা কাপোৰ ইয়াতো পিন্ধা ভাল। তেনে সাজ-পাৰতো মূৰ উদংকৈ ৰখা ভাল নহয়। তথাপি তেনে সাজ-পাৰত তোমাৰ নিচিনা ছোৱালীক গুজৰাটী শাৰী পিন্ধিলে যেনে বেয়া দেখি তেনে বেয়া নেদেখিব। মইতো তোমাৰ মাৰা হৈছো নহয়? এই কাৰণে মইতো তোমাক সকলো কথা কবই লাগিব। তুমি উদং মূৰেৰে কিয় ফুৰা? আজি-কালিতো চুলি চুটিয়েই হওক বা দীঘলেই হওক, সকলো তিৰোতাই নকলী চুলি লগায়। এনেস্থলত যদি

মূৰটো ঢাকিয়েই থব লাগিল, তেনেহলে আনে চুলি কেনেকৈ দেখা পাব? মই তিৰোতাৰ মাজত থকা মানুহ। এদিনাখন ময়েই বা-ক পাৰছী তিৰোতাৰ নিচিনা মোজা, বুত আৰু তেনে ধৰণৰ কাপোৰ পিন্ধিবলৈ শিকাইছিলোঁ। তাই বেচাৰীৰ সেইবোৰৰ প্ৰতি অভিলাষ নাছিল। ঈশ্বৰে যেনে-কুৱা চুলি দিছে তেনেদৰে ৰখাতেই সৌন্দৰ্য্য ফুটি ওলায়। নকলী চুলিত নহয়। মানুহে আজিকালি ফুলদানিত কাগজৰ ফুল ৰাখে। কিন্তু সেইবোৰৰ ওচৰত যদি প্ৰকৃত ফুল ৰাখে তেনেহলে আচল ফুলহে চকুত ভাল লাগিব, নহয় জানো?”

(এই কথাবাৰৰ পৰাই বাপু একেবাৰে আধ্যাত্মিকতালৈ আহিল।) তেওঁ কলে—“আজিকালি মহিলাসকলৰ মাজত বহুত কৃত্ৰিমতা সোমাইছে। সেই কাৰণে তেওঁলোকৰ ওপৰত অত্যাচাৰ হয়। এই বিষয়ত মোৰ অলপো সন্দেহ নাই। নকলী হীৰাৰ গহনা অলপ সময়ৰ কাৰণে জিলিকিব আৰু পিচত ক'লা পৰি যাব। নকলী বস্তু ব্যৱহাৰ কৰাটোৱেই চখ হোৱা কাৰণে তেওঁলোকৰ জীৱনো নকলী হৈ গৈছে। নকলী সাজ-পাৰ পিন্ধা মানুহজনৰ অন্তৰখন শুদ্ধ হব বুলি মই স্বীকাৰ কৰিব নোৱাৰোঁ। সেই কাৰণেই মহিলা সকলৰ আজি অৱনতি হবলৈ ধৰিছে। তেওঁলোকৰ হাতত অস্ত্ৰ দিলেও আজি তেওঁলোকে আনক প্ৰতিৰোধ কৰিব নোৱাৰে।

“সীতাৰ শৰীৰত মাথোন হাৰ কেইডালি আছিল। তেওঁৰ হাতত কোনো বস্তুৱেই নাছিল। ৰাৱণৰ নিচিনা

বলবান পুৰুষজনে ইচ্ছা কৰা হলে সীতাক একেবাৰে মোহাৰি পেলাব পাৰিলেহেঁতেন। কিন্তু তেওঁ তেওঁক ছুবলৈও সাহ কৰিব নোৱাৰিলে। ইয়াৰ কাৰণ কি? কাৰণ এয়ে যে সীতাৰ পৱিত্ৰতা ইমানেই প্ৰবল আছিল। আজি-কালি তেনেকুৱা পৱিত্ৰতা ক'ত? আজি যদি কোনো তিৰোতাৰ ওপৰত বল প্ৰয়োগ কৰা হয়, তেও তেওঁৰ বশ হৈ যায়। ইয়াত এনেকুৱা কিমান ঘটনা ঘটিছে। যেতিয়াই গুণ্ডাই কয় "শৰণ ল, নহলে মাৰি পেলাম", তেতিয়া মৃত্যুৰ ভয়ত বহুত তিৰোতাই অধীনতা স্বীকাৰ কৰে! এই কাৰণে ৰামায়ণত বৰ্ণনা কৰা ৰাম-সীতা সচাঁকৈয়ে আছিল নে নাই এই বিষয়ে আমি যদি শঙ্কাও কৰোঁ আৰু তাক কবিৰ কল্পনা বুলি ধৰি লওঁ, তথাপি সেই কল্পনা কিমান উচ্চ, কিমান ভব্য! আৰু তাক আমি কামত খটাব পাৰোঁ। সচাঁকৈয়ে সীতাৰ চৰিত্ৰ সকলো তিৰোতাৰ কাৰণে অনুকৰণীয়।"

(নকলী চুলি, গহনা, কাপোৰ আদিৰ পৰা বাপুৱে মোক ক'ৰ পৰা ক'লৈ লৈ গ'ল!)

তেওঁ আকৌ কবলৈ ধৰিলে—"আজি-কালি নখ আৰু ওঠ ৰঙা কৰা যি ফেশ্যন ওলাইছে তাৰ বিষয়নো কি কম?" মই হাঁহিলোঁ আৰু কলোঁ—"বাপুজী, আপুনি যদি প্ৰথমতেই তাৰ নাম কেইটা শিকিবলৈ কলেহেঁতেন তেনেহলে মই শিকিলোহেঁতেন। ওঠ ৰঙা কৰা বস্তুটোকতো লিপষ্টিক বোলে, কিন্তু নখত কি লগাই মই নাজানো।"

"ঠিক ঠিক"—বাপুৱে কলে—"বেচেৰী মহিলাসকলে লিপষ্টিকৰে ওঠ ৰঙা কৰে আৰু নখো ৰঙা কৰে। কিন্তু নিজে কিমান লেৰেলা-চেৰেলা আৰু গাৰ ৰং কেনে শেতা হৈছে সেই পিনে লক্ষ্য কৰিবলৈ তেওঁলোকৰ সময় নাই। আগৰ দিনৰ তিৰোতাসকলৰ শৰীৰত তেজ থকা কাৰণে স্বাভাবিকতেই তেওঁলোকৰ মুখ আৰু নখবোৰ ৰঙচুৱা আছিল। আমি অন্ধৰ নিচিনা পাশ্চাত্যক অনুকৰণ কৰিছোঁ। এই সম্পৰ্কে মতা আৰু তিৰোতা দুয়ো দোষী। কিন্তু মহিলাসকলক ক্ষমা কৰিব নোৱাৰি। পাশ্চাত্য শিক্ষাৰ পৰা থকা-মিলা, সভ্যতা, বিনয়, নিয়মানুবৰ্ত্তিতা, উদ্যোগ-শীলতা, নতুন কথা শিকিবলৈ হেঁপাহ আদি বহুতো শিকিব-লগীয়া কথা আছে। কিন্তু আমি সেইবোৰ এৰি তাৰ ঠাইত পাউদাৰৰ ফেশান লৈছোঁ। সেইকাৰণে মই চিঞৰি চিঞৰি কওঁ যে ভাৰতত তিৰোতাসকলেহে স্বৰাজ্য আৰু সুৰাজ্য স্থাপন কৰিব পাৰে। কিয়নো মই এইটো স্বীকাৰ কৰো যে গৃহিণী নহলে ঘৰৰ অৱস্থা যিদৰে পৰিপাটি হিচাবে নচলে, সেইদৰে তিৰোতাসকল নহলে দেশৰ ব্যৱস্থাও সুচাৰুৰূপে চলিব নোৱাৰে। কিন্তু মহিলাসকল পৱিত্ৰ হলেহে সেইটো হব পাৰে। মোৰ 'পৱিত্ৰ' শব্দৰ অৰ্থ তুমি জানানে? যিজন পৱিত্ৰ হোৱাৰ আৱশ্যক তেওঁ এইখিনি গুণৰ অধিকাৰী হোৱা উচিত। এই সকলোবিলাক গুণৰ বৰ্ণনা 'পৱিত্ৰ' এই তিনিটা আখৰৰ ভিতৰতে সোমাই আছে। আমি

বিবেকৰ মতে কাম কৰিলেহে পৱিত্ৰ হব পাৰো। মই পৰ্দ্দা প্ৰথাৰ বিৰোধী। কিন্তু মৰ্য্যাদাতো থকা উচিত। আন্তৰিক আৰু বাহ্যিক স্বচ্ছতা হলেহে পৱিত্ৰ হব পাৰি। কু-আবৰণ-ৰহিত হলেহে পৱিত্ৰ হব পাৰি। সত্যতাৰ লগতহে পৱিত্ৰতা থাকে। দম্ভ নাইকিয়া হলে আৰু কেৱল আনক দেখুৱাবলৈ কাম কৰা স্বভাৱ এৰাৰ পিচতহে পৱিত্ৰতা আহে। স্বমান আৰু সেৱা ভাব থাকিলেহে পৱিত্ৰ হব পাৰি। পৱিত্ৰতাৰ এনেকুৱা বহুতো অৰ্থ হয়। য'ত পৱিত্ৰতা আছে তাত ভগবান দৰ্শন হয়। এই বিষয়ে সন্দেহ কৰিব নালাগে। তিৰোতাসকলৰ হাতলৈ এই অস্ত্ৰপাত আহিলে তেওঁলোকৰ আৰু তৰোৱাল নাইবা খাপৰৰ আৱশ্যক নোহোৱা হব। লোৰ অস্ত্ৰ-শস্ত্ৰৰ শিক্ষা দিয়াতকৈ পৱিত্ৰতাৰ শিক্ষা দিয়া বৰ কঠিন, কিন্তু যদি বুজি পায় তেনেহলে বৰ সহজ।

"চোৱাঁ, এখন সাৰীৰ পৰা তোমাক মই কিমান দীঘল এটা পাঠ পঢ়ালোঁ। কিয়নো মইতো তোমাৰ আই হৈছোঁ নহয়? এই কাৰণে তোমাৰ শিক্ষাগুৰু তোমাৰ পিতাৰাই হওক নাইবা ককায়েৰাই হওক মাকৰ দায়িত্ব মোৰ ওপৰত। মই দায়িত্ব লৈছোঁ গতিকে তাক মই পূৰ্ণ কৰিবই লাগিব। আজি মই যিখিনি পাঠ পঢ়ালোঁ তাক তোমাৰ জীৱনত খটাব লাগে। কিন্তু তাৰ আগতেই কালি মোক ডায়ৰীত লিখি দেখুৱাবা। তুমি কিমানখিনি হজম কৰিব পাৰিছা মই

বুজি লম।” (সেই সময়ত মই নিতৌ ডায়ৰী লিখিছিলোঁ। বাপুৱে সেইবোৰ চাই দস্তখত কৰি দিছিল।)

বাপুৱে যেতিয়া মোক জগায় তেতিয়া ৰাতি চাৰে বাৰ বাজিছে। তেতিয়াৰ পৰা তেওঁ কথা কবলৈ আৰম্ভ কৰিলে। এটা বাজি পোন্ধৰ মিনিট যোৱাত তেওঁ কবলৈ ধৰিলে— “এতিয়া তুমি শোৱাগৈ। মোৰ টোপনি লগা নাছিল। সেই কাৰণে তোমাকে মাতিছিলোঁ। মই ভাবিলোঁ যে যিহেতু মই এই ছোৱালীজনীৰ দায়িত্ব লৈছোঁ, গতিকে তাইক সাৱধান কৰি দিয়াৰ কাৰণেই মই তোমাক জগাইছিলোঁ। এতিয়া শোৱা।”

মোৰ আই এনেকুৱাই আছিল। আধা ৰাতিও মোক জগাই উপদেশ দিছিল।

ঈশ্বৰে আজি মোৰ হাতৰ পৰা তিনিগৰাকী আইক নিছে। বোটাদকৰ নামৰ এজন গুজৰাটী কবিয়ে মাকৰ সম্বন্ধে লিখিছে :

গংগানা নীৰ তো ৱধে-ঘটে ৰে লোল
সৰখো এ প্রেমনো প্রবাহ ৰে;
জননীনী জোড় সখী নহী জড়ে ৰে লোল।’*

সঁচাকৈয়ে এই তিনি শাৰী কবিতা মই ভাল দৰে অনুভব কৰিছোঁ। মৃত্যু পৰ্য্যন্ত মোৰ তিনিওগৰাকী আইৰ মৰম অলপো নকমিল।

---

* গঙ্গাৰ পানী কেতিয়াবা বাঢ়ে কেতিয়াবা কমে। কিন্তু মাতৃ-স্নেহৰ প্রবাহ সদায় একে ধৰণেই বয়। আন কোনো স্নেহ ইয়াৰ সমকক্ষ হব নোৱাৰে।

গীতাৰ গুৰু

নোৱাখালীৰ ইমান কামৰ মাজতো বাপুজীয়ে মোক গীতা পঢ়ুৱাবৰ কাৰণে অন্ততঃ দহ মিনিট সময় উলিয়াইছিল।

আগাখাঁ প্ৰাসাদত বাপুজীৰ পৰা গণিত, বীজগণিত, জ্যামিতি, ভূগোল, বুৰঞ্জী, বিজ্ঞান, সংস্কৃত আদি শিকাৰ সৌভাগ্য ঘটিছিল। কিন্তু তেওঁ নিজে কেতিয়াও মোক ইংৰাজী নিশিকালে। আগাখাঁ প্ৰাসাদৰ আন মানুহে ইংৰাজী শিকাইছিল। কস্তুৰবাৰ অসুখ আৰু সময়ৰ অভাৱৰ কাৰণে বাপুৱে এটা এটাকৈ বিষয় শিকাবলৈ এৰি দিলে। কিন্তু সংস্কৃত পঢোৱা কামটো হলে বাপুই শেষলৈকে এৰা নাছিল। অৰ্থাৎ মোৰ জীৱনত বাপুৱেহে মোক গীতা পঢ়াবলৈ আৰম্ভ কৰিছিল। আন বিষয়বোৰ প্যাৰেলাল, সুশীলা বহন, ডাঃ গিল্ডাৰ আদি মোৰ লগত থকা আন আন ভাই-ভনীয়ে শিকাবকৈ ধৰিলে। কিন্তু “মনুক গীতা মইহে পঢ়াম”, এই বুলি কৈ শেষলৈকে বাপুৱে মোক গীতা পঢ়াইছিল। আন বিষয়ত মোৰ বহুতো গুৰু হৈছিল, কিন্তু দৃঢ়তা পূৰ্ব্বক মই কব পাৰোঁ যে গীতাৰ গুৰু কেৱল বাপুহে আছিল। অৱশ্যে আনৰ পৰাও কেতিয়াবা অলপ সহায় লৈছিলোঁ।

আগাখাঁ প্ৰাসাদতে গীতাৰ উচ্চাৰণ কৰিবলৈ শিকিছিলোঁ। নোৱাখালী পোৱাৰ পিচত এদিনৰ কাৰণে মোক ছুটি দিলে।

দ্বিতীয় দিনাখন তেওঁ কবলৈ ধৰিলে—"তুমিতো মোৰ ইয়ালৈ আহিবৰ ২৪ ঘণ্টা হব; গীতাৰ পঢ়া কিমানলৈ হৈছে? ইয়াত তুমি মোৰ কাম কৰিলেই নহব, পঢ়িবাও।"

মই কলোঁ—"জেলৰ পৰা ওলোৱাৰ পিচত মাজে সময়ে মই নিজেই অলপ গীতা পঢ়িছিলোঁ। কিন্তু উচ্চাৰণ শুধৰাবলৈ নাইবা অৰ্থ ক'বলৈ কাকো গুৰু হিচাবে মনা নাই। কিয়নো মই ইচ্ছা কৰিছিলোঁ যে আন বিষয়ত হেজাৰ শিক্ষক হলেও গীতাৰ গুৰু আপোনাত বাহিৰে আন কোনো নহয় যেন। সেই কাৰণে শুদ্ধই অশুদ্ধই মই নিজক নিজে উচ্চাৰণ আৰু অৰ্থ কৰো। আনৰ সহায়ত আগ বঢ়া নাই।"

এই কথাষাৰত বাপুৱে দুখ পালে আৰু কলে—"তোমাৰ এই ইচ্ছাটো এটা মোহ মাথোন। ভাল কথা হলে হেজাৰ কিয় লাখ গুৰুৰ পৰাও শিকা উচিত। এটা অকণমানি ল'ৰাৰ পৰাও আমি কিয় নিশিকোঁ? ভাল কথা শিকিবলৈ কিহৰ লাজ? কিন্তু যেতিয়াই সাৰ পোৱা তেতিয়াই বাতি পুৱোৱা বুলি ভাবি আজিৰ পৰাই গীতা পঢ়িবলৈ আৰম্ভ কৰি দিয়া। এতিয়াতো উচ্চাৰণ শিকা নহব। কিন্তু আজিলৈকে তোমাক গীতাৰ অৰ্থ নুবুজোৱা কাৰণে মোৰ মনত চিন্তা হৈ আছে। এতিয়া নিতৌ তোমাক পাচোঁটা পাচোঁটা শ্লোক শিকাব লাগিব। (মই সদায় শ্লোক লিখিছিলোঁ; আৰু বাপু যিমান কামতেই নাথাকক, মোৰ ভুল শুধৰাই দস্তখত কৰি দিছিল।) যিটো শ্লোকেই লিখা তাৰ অৰ্থ সন্ধি ভাঙি ভাঙি লিখা কৰা।

গীতাৰ তৃতীয় অধ্যায়ত যজ্ঞৰ বিষয়ে লিখিছে। গীতা পঢ়াও এক প্ৰকাৰ যজ্ঞ। কিন্তু যজ্ঞ কাক বোলে এই বিষয়ে মই তোমাক সঙ্ক্ষেপতে কওঁ।

"ভগবানে কৈছে যে যি মানুহে যজ্ঞ নকৰাকৈ আহাৰ কৰে সি চুৰ কৰি খায়। এইটো বৰ মহত্বপূৰ্ণ কথা। চুৰকৈ খোৱা আহাৰ কেঁচা পাৰাৰ নিচিনা। কেঁচা পাৰা হজম নহয়। ইয়াক খালে শৰীৰৰ প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গেৰে বাহিৰ ওলায়। চুৰকৈ খোৱা আহাৰৰো এনেকুৱাই প্ৰভাৱ পৰে। যি মানুহে এক মুহুৰ্ত্তও যজ্ঞ নকৰাকৈ থাকে তেওঁ চোৰ বুলি প্ৰমাণিত হয়। এই যজ্ঞ আমি সকলোৱে কৰা উচিত। স্থিৰ মনৰ মানুহৰ কাৰণে যজ্ঞ কৰা বৰ সহজ। তেওঁৰ ধনৰ, বুদ্ধিৰ নাইবা লিখা-পঢ়াৰো আৱশ্যক নাই। যজ্ঞ মানে যি কোনো পৰোপকাৰৰ কাম। যাৰ গোটেই জীৱন যজ্ঞৰেই ভৰপূৰ তেওঁ চুৰ কৰি আহাৰ খোৱা নাই বুলি কব পৰা যায়। যিজনে অলপ অলপ যজ্ঞ কৰে তেওঁ কম চুৰ কৰে বুলি আমি কব পাৰোঁ। এই পিনৰ পৰা চাবলৈ গলে আমি সকলোৱেই অলপ নহয় অলপ চুৰ কৰোঁ। সম্পূৰ্ণ স্বাৰ্থ ত্যাগ কৰিলেহে পূৰ্ণ যজ্ঞ হোৱা বুলি কব পৰা যায়। স্বাৰ্থ ত্যাগ কৰা মানে অহংভাব ত্যাগ কৰা, 'মই' ভাব ত্যাগ কৰা। 'এওঁ মোৰ ভাই, এওঁ আনৰ; এইজনী মোৰ ভনী, এইজনী আনৰ'—এনেভাব অন্তৰত ৰখাই অনুচিত। যিজনে ভগবানক সৰ্ব্বস্ব অৰ্পণ কৰিব পাৰে তেওঁহে এনে কৰিব

পাৰে। যিজনে আনৰ সেৱা কৰে তেওঁ ঈশ্বৰক মাজত ৰাখি তেওঁৰ সেৱক হিচাবে সকলো কাম কৰে; তেওঁ সকলো কাম সেৱাৰ দৃষ্টিৰেই কৰে। এনেকুৱা মানুহে সদায় আনন্দতে দিন নিয়ায়। তেওঁ সদায় শান্ত। তেওঁৰ কাৰণে সুখ দুখৰ কোনো পাৰ্থক্য নাই। তেওঁ নিজৰ শৰীৰ, আনকি তেওঁৰ লগত যি আছে সকলো পৰমাৰ্থত খটায়। এনেকুৱা প্ৰকৃত যজ্ঞ আমি সকলোৱে কৰিব নোৱাৰোঁ। সম্ভৱ হলে গোটেই জগতৰ সেৱা কৰোঁ, এনেকুৱা ভাব যদি আমাৰ মনত খেলায় তেনেহলে প্ৰশ্ন উঠে যে এনেকুৱা কিবা কাম আছেনে যিটো কৰিলে গোটেই জগতৰ সেৱা কৰা হয় আৰু যিটো বহুত সংখ্যক মানুহে কৰিব পাৰে? এনেকুৱাকৈ ভাবিলে সূতা কটা কামটোৱে তেনে কামৰ ভিতৰত মুখ্য হৈ উঠে। পৰমাৰ্থৰ কাৰণে অসংখ্য মানুহে এই কামটো কৰিব পাৰে। সেই কাৰণেই কোৱা হয় যে এইখিনি পৰিশ্ৰম জগতৰ সেৱাৰ কাৰণে কৰা হৈছে আৰু ইয়াৰ পৰা অসংখ্য দুখীয়াৰ পেট ভৰে। অন্ধ মানুহেও এই কাম কৰিব পাৰে আৰু প্ৰত্যেক ডালি সূতা কটাৰ লগে লগে ৰাম নাম লব পৰা যায়।

"মই তোমাক গীতাৰ অৰ্থ এনে ধৰণে বুজাব খোজোঁ, কেৱল ব্যাকৰণৰ দৃষ্টিৰেই নহয়। এইটো এটা উদাহৰণ হে দিছোঁ আৰু যজ্ঞৰ আচল অৰ্থ বুজাইছোঁ। যঁতৰেই যজ্ঞ আৰু যজ্ঞই যঁতৰ।"

প্ৰকৃত শিক্ষা কোনটো ?

আগতেই মই কৈছোঁ যে বাপুজীয়ে মোক তেনে ধৰণে পঢ়াইছিল। তথাপি মই কেতিয়াবা তেওঁক কৈছিলোঁ— "আপুনি মোক পঢ়াব পৰা এৰোৱালে। (কৰাচীৰ পৰা মোক নিজৰ ওচৰলৈ মাতি আনিলে।) মইতো পৰীক্ষা দিব লাগিছিল।" সেই সময়ত আজি-কালিৰ মহিলাসকলৰ নিচিনা মোৰ ডিগ্ৰীৰ প্ৰতি মোহ আছিল। ভগবানে দয়া কৰি মোক সেই মোহৰ পৰা হাত সৰোৱালে। আজি যদি মই কওঁ যে মোৰ পৰম-পূজ্য গুৰুৱে মোক যিখিনি শিক্ষা দিছে সেই শিক্ষা বি. এ.; এম. এ. নাইবা লণ্ডনৰ ডাঙৰ ডাঙৰ বিশ্ববিদ্যালয়ৰ উপাধি পাছ কৰিলেও নাপালোঁহেঁতেন —তেনেহলে কোনো অযুক্তিসঙ্গত কথা নহব। আৰু তাৰ পৰা মোৰ জীৱনো যে সফল হৈছে তাকো মানো। কিন্তু এইখিনি ভাব মোৰ আজিহে আহিছে। সেই সময়তো মই বাপুক কৈছিলোঁ—"আপুনি মোক পঢ়িবলৈ নিদিলে!"

বাপুৱে কৈছিল—"মই তোমাক পঢ়াবও লাগে আৰু চিন্তা কৰিবলৈও শিকাব লাগে। ইয়াৰ ফল কি হব?"

মই কৈছিলোঁ—'চাওঁক, মহাদেৱ দাদা ইমানলৈ পঢ়াব পিচতহে আপোনাৰ চেক্ৰেটাৰী হব পাৰিছে। আৰু কি

বিলাক মানুহ হৈছে তেওঁলোকো ডিগ্ৰী লাভ কৰাৰ কাৰণেহে আগবাঢ়িব পাৰিছে।” ইয়াকে শুনি বাপুৱে হাঁহি মাৰি কলে—“যিমানেই ডাঙৰ মানুহ দেখা সিমানেই ভণ্ড। আৰু তুমি ‘ডিগ্ৰী’ৰ সলনি ‘উপাধি’ শব্দ ব্যৱহাৰ কৰা। উপাধি আচলতে উপাধিয়েই (চিন্তা)! মই বাৰিষ্টাৰ হোৱা কাৰণে আজিও অনুতাপ কৰো। সঁচা কথা কবলৈ গলে মই নাভাবোৱেই যে মই বাৰিষ্টাৰ।

“এই কাৰণে মই নিজৰ অনুভব অনুসৰি আনকো ‘উপাধি’ৰ হাত সৰুৱাবলৈ যত্ন কৰোঁ। অৱশ্যে ভাষাৰ ফালৰ পৰা বহুতো জনা উচিত। কিন্তু আজিকালিৰ বিশ্ববিদ্যালয়বোৰত মুখস্থ কৰা আৰু তেজ পানী কৰা প্ৰথাটোৱে মোৰ মনত বৰকৈ আঘাত দিয়ে। বৰ্ত্তমান আমাৰ দেশত ৰচনাত্মক কামৰ আৱশ্যক। গাওঁবোৰত কিমান কাম পৰি আছে। ছাত্ৰসকলে পঢ়াত যিমান খিনি সময় কটায় সেই খিনি সময় যদি ৰচনাত্মক কামত লগায় তেনেহলে দেশৰ অৱস্থা বদলি যাব। যদি জ্ঞানৰ কাৰণে পঢ়ে তেনেহলে বেলেগ কথা। তেতিয়া হলে জ্ঞানৰ কাৰণে পঢ়া আৰু পঢ়াৰ কাৰণে জ্ঞান এইটোৱে মন্ত্ৰ হোৱা উচিত। কিন্তু আজি হলে আমি পৰীক্ষাৰ কাৰণে পঢ়া আৰু পঢ়াৰ কাৰণেই পৰীক্ষা হোৱা দেখিছোঁ। তাৰ পিচত? তাৰ পিচত ধন উপাৰ্জ্জনৰ কাৰণে জ্ঞানৰ ব্যৱহাৰ কৰা হয়। কোনোবা ডাক্তৰ, কোনোবা উকীল আৰু কোনোবা ইঞ্জিনিয়াৰ হয়।

পাচ কৰাৰ লগে লগেই চাকৰিৰ কাৰণে হৈ-চৈ লাগি পৰে। চাকৰি মানে মূৰৰ ঘাম ভৰিত পেলাই পৰিশ্ৰম কৰা আৰু ফলত পেটটোৰে নভৰে। শেষত গৈ কেনেকৈ ভাল চাকৰি এটা পোৱা হয় এয়েই হৈছে সকলো শিক্ষাৰ লক্ষ্য। অৱশ্যে ইয়াৰ ভিতৰত দুই এজনৰ কথা বেলেগ। ৪০ কোটি মানুহৰ সকলোৰে এনে বুলি মই কব খোজা নাই। কিন্তু আজি-কালি পঢ়াৰ নিয়ম এইটোৱেই হৈছে। কোনো এটা বিশেষ খাপলৈ শিক্ষা লাভ কৰাৰ পিচতহে দেশ-সেৱা কৰিব পাৰি এই ধাৰণাটো সম্পূৰ্ণ ভুল। যি কোনো অৱস্থাতেই মানুহে সেৱা কৰিব পাৰে। ঈশ্বৰে মানুহক ইমানখিনি শক্তি দিছে যে সেৱাৰ হাত সাৰিবলৈ মানুহে কোনো ধৰণৰ ভাও জুৰিব নোৱাৰে। যদি এনেকুৱা নহলহেঁতেন তেনেহলে কামৰ হাত সাৰিবৰ কাৰণে মানুহে এটা নহয় এটা কাৰণ উলিয়াব পাৰিলেহেঁতেন। তুমি দেখিবলৈ পাবা যে কোনোৱে যদি নিজৰ ধনেৰে সেৱা কৰিছে, তেনেহলে কোনোৱে বলিষ্ঠ শৰীৰেৰে, আৰু কোনোৱে বুদ্ধিৰে। জিভা, হাত, ভৰি, চকু, নাক, কাণ সকলো অঙ্গকেই সেৱাৰ কামত খটাব পাৰি। এই বিলাক মই উদাহৰণহে দিলোঁ। এই কাৰণে আমাৰ শক্তি অনুযায়ী সকলো ভগবানক অৰ্পণ কৰিব লাগে। তেতিয়াহে আমি পূৰা নম্বৰ পাব পাৰোঁ। যাৰ ১ কোটি টকা দিবৰ শক্তি আছে, তেওঁ যদি আধা কোটি দিয়ে, তেনেহলে তেওঁ এশৰ ভিতৰত পঞ্চাশ নম্বৰহে পাব, কিন্তু

যাৰ এপাই দিবলৈ শক্তি আছে, তেওঁ যদি সেই পাই দি দিয়ে তেনেহলে তেওঁ পূৰা নম্বৰ পাব।

"ব্যৱহাৰত সদায় খোলা হব লাগে। স্বাৰ্থৰ কাৰণে নাইবা ভয়তে কৰা কামক সেৱাৰ আখ্যা দিব নোৱাৰি। য'ত ভগবানক অৰ্পণ কৰা কথা উঠে তাত স্বাৰ্থ থাকিবই নোৱাৰে। সেই সকলে এইদৰে নিতৌ নিজৰ শক্তি বঢ়ায; কিহবাৰ কাৰণে চেষ্টা কৰিলেও সেৱাৰ ভাবতেই কৰে। এইদৰে যিজন সেৱাপৰায়ণ তেওঁৰ অন্তৰত হঁহা-কন্দা, খোৱা লোৱা, খেলা-ধূলা, কথা-বতৰা পতা সকলো কামতে সেৱা ভাব থাকে। অৰ্থাৎ তেওঁৰ কোনো কামতেই দোষ নাথাকে। এনেকুৱা ভক্তক ঈশ্বৰে সকলো প্ৰকাৰৰ আৱশ্যকীয় শক্তি দিয়ে। সেই কাৰণেই তলৰ শ্লোকত কৈছে ঃ—

অনন্তং চিন্তয়ন্তো মাং যে জনাঃ পৰ্য্যুপাসতে।
তেষাং নিত্যাভিযুক্তানাং যোগক্ষেমং বৃণাম্যহম্॥
সচ্চিন্তা মজ্জাগত প্ৰাণাঃ বোধযুক্তং পৰস্পৰম্।
কথয়ন্তশ্চ মাং নিত্যং তুষ্যন্তি চ ৰমন্তি চ॥
তেষাং সততং যুক্তানাং ভজতাং প্ৰীতিপূৰ্ব্বকম্।
দদামি বুদ্ধি যোগং তং যেন মাং উপযান্তি॥

অৰ্থ—যি জনে অনন্য ভাবে মোৰ চিন্তা আৰু উপাসনা কৰে আৰু সদায় মোতেই অনুৰক্ত, তেনেকুৱা মানুহৰ জীৱন নিৰ্ব্বাহৰ ভাৰ মই নিজেই লওঁ। অৰ্থাৎ ফলৰ আশা এৰি কাম কৰা' মোতেই দত্ত চিত্ত আৰু মোতেই প্ৰাণ সমৰ্পণ

কৰোঁতা সকলে মোৰ উপাসনা কৰে আৰু আনন্দতে দিন নিয়ায়। এই দৰে মোৰ প্ৰতি আসক্ত আৰু মোৰ উপাসনা কৰা সকলক মই জ্ঞান দিওঁ। সেই জ্ঞানৰ পৰাই তেওঁলোকে মোক পায়।

"এই শ্লোক কেইটাৰ বিষয়ে অলপ ভাবাচোন। ইয়াৰ ভিতৰত শেষৰ শ্লোকটো বৰ মহত্বপূৰ্ণ। ইয়াৰ কাৰণে অটল শ্ৰদ্ধাৰ আৱশ্যক। কিন্তু মই তোমাৰ মগজুত ইয়াকেই সুমুৱাবলৈ ইচ্ছা কৰোঁ যে এইদৰে ঈশ্বৰৰ প্ৰতি কাম কৰোঁতে তোমাৰ ডিগ্ৰীৰ ব্যৱহাৰ ক'ত কৰিবা ? তুমি পঢ়ি থাকিলে আজি বোধহয় কলেজ পালাহেঁতেন। তেতিয়া হলে তুমি ক'ত থাকিলাহেঁতেন ? মই কৰিব পৰা হলে কলেজৰ সকলো লৰা-ছোৱালীক দেশৰ এই সংগ্ৰামত লগালোঁহেঁতেন। আচলতে আমাৰ ছাত্ৰসকলৰ মনৰ পৰা যদি ডিগ্ৰীৰ মোহ নাইকিয়া হৈ যায়, তেনেহলে পৃথিবীৰ মানত ভাৰতবৰ্ষৰ আজি এটোপাল পানীৰ সমান যিখিনি অস্তিত্ব আছে, সি এটা সাগৰত পৰিণত হ'লহেঁতেন। 'নিজৰ শক্তি অনুযায়ী কাম কৰা'—এই কথাষাৰ কেৱল সৰু সৰু পৰিয়ালতেই নাখাটে, বৰং ডাঙৰ ডাঙৰ দেশৰ লগতো খাটে। যেনেকুৱা দেশ তেনেকুৱা ৰীতি-নীতি আৰু তেনেকুৱা কাম হোৱা উচিত। ইংৰাজসকলক আমি অন্ধৰ নিচিনা অনুকৰণ কৰিলে আমাৰ অৱনতিহে হব। হাঁহ কাউৰীৰ নিচিনা হবলৈ যাওঁতে মৰিও নাযায় নে ? কিন্তু সি নিজৰ ধৰণেই চলে। সেয়েহে

সি জীয়াই আছে। এইটো সাধু তুমি জানা নহয়নে? সাধুকথাবোৰ কেৱল সাধু কথাই নহয়! সেইবোৰো গভীৰ উপদেশপূৰ্ণ। অৱশ্যে ভাৰতত বহুত বেয়া প্ৰথা আছে। তথাপি আমি যদি নিজৰ ধৰণেই চলোঁ, তেনেহলে আজি আমি বাৰু কল্পনাও কৰিব নোৱাৰোঁ, তেনেকুৱা ঠাইত উপস্থিত হমগৈ। কোনো সংস্কৃতিয়েই ভাৰতীয় সংস্কৃতিৰ নিচিনা নহয়। মই যিমানেই তোমাক গীতা পঢ়াম সিমানেই নতুন নতুন অৰ্থ ওলাই থাকিব। কিন্তু আজি এইখিনি হজম কৰিব পাৰিলেই যথেষ্ট হব। এই সকলোবোৰ লিখি পেলোৱা। কিন্তু কেৱল লিখাৰ কাৰণেই লিখিব নালাগে। গীতাৰ অৰ্থ ব্যৱহাৰত খটাব লাগে। আজিৰ আটাইখিনি পাঠ গীতাৰ পঢ়াই পঢ়োৱা হৈছে।”

মই যে বাপুক কৈছিলোঁ যে তেওঁ মোক পঢ়িবলৈ নিদিলে, তাৰ ওপৰতেই ভিত্তি কৰি এই খিনি উপদেশ দিয়া হৈছিল। তাৰ ঋণ মই আজিও পৰিশোধ কৰিব নোৱাৰোঁ। বাপু ইমান দয়ালু আছিল যে কোনোবাই তেওঁৰ ওপৰত খং কৰিলে তেওঁক এগিলাচ মৌসনা পানী দিয়া যেন ভাবে। যদিও বাপুৰ আগত আমি যি খুচি নিঃসঙ্কোচে কব পাৰিছিলোঁ, তথাপি এনেদৰে কৈ যে মই বাল্যসুলভ বুদ্ধিহীনতাৰহে পৰিচয় দিছিলোঁ, তাক আজিহে বুজিব পাৰিছোঁ। মই কিমান দুৰ্ভগীয়া! পুত্ৰ কু-পুত্ৰ হলেও মাতা কু-মাতা নহয়।

এই বিলাক পাঠ পঢ়োৱাৰ উদ্দেশ্য কি আছিল তাক

ঈশ্বৰেহে জানে। কিন্তু নিজৰ কাম বাদ দিও মোৰ হতুৱাই মোৰ ডায়ৰী লিখাইছিল। তেওঁৰ মনত বোধ হয় এনেভাব আছিল, 'যদি এবছৰ পিচত মই মৰোঁ তেনেহলে।' তেওঁ প্ৰথমে এইবিলাক কথা নিশ্চয় ভাবিছিল। সেই কাৰণেইতো বাপুৱে মোৰ কাৰণে এইখন উইল কৰি থৈ গ'ল।

দুটা খণ্ডৰ পৰিগ্ৰহ

১৯৪৭ চনৰ ৩০ মাৰ্চৰ দিনাখন বাপু পোনপ্ৰথমে লৰ্ড মাউণ্টবেটেনৰ লগত দেখা কৰিবলৈ ওলাল। নোৱাখালী আৰু বিহাৰৰ ঐক্য-যজ্ঞৰ পিচত এইটো তেওঁৰ প্ৰথম যাত্ৰা। ভাইচৰয়েতো বাপুক আকাশী জাহাজেৰে দিল্লীলৈ আহিবলৈ কৈছিল। কিন্তু বাপুৱে যাবলৈ অস্বীকাৰ কৰিলে। তেওঁ কলে, "যি যান বাহনেৰে লাখ লাখ দুখীয়া প্ৰজাই ভ্ৰমণ কৰিব নোৱাৰে তেনেকুৱা যানবাহনত মই কেনেকৈ উঠোঁ।" তেওঁ ঠিক কৰিলে "মোৰ কামতো ৰেলেৰেই ভালদৰে সম্পন্ন হব।' মই ৰেলেৰেই যাম।"

সেই সময়ত বৰ গৰম পৰিছিল। ৰাস্তাও ২৪ ঘণ্টাৰ।

তথাপি ৰাষ্ট্ৰপিতাক চাবলৈ ষ্টেশনত হেজাৰ বিজাৰ মানুহ গোট খাইছিলহি। কিন্তু বাপুৰতো সেইবোৰলৈ ভ্ৰূক্ষেপেই নাই। তেওঁ মোক মাতি আনি কবলৈ ধৰিলে ঃ—

"চোৱা, এই যজ্ঞত তুমি মোৰ লগত অকলে আছা। যজ্ঞৰ কাম হাতত লোৱাৰ পিচত মই প্ৰথমবাৰ দিল্লীলৈ আহিছোঁ। নোৱাখালীলৈ যোৱাৰ সময়ত মই 'কৰিম বা মৰিম' বুলিয়েই ঠিক কৰিছিলোঁ। সেই কাৰণে লগত থকা সকলো মানুহকে আঁতৰাই দিছিলোঁ। কেৱল তোমাকেই মোৰ যজ্ঞত ভাগ লবলৈ দিছিলোঁ। তুমিতো মোৰ লগতেই আছা। নোয়াখালীত যেনেকৈ মই সকলোকে এৰি আহিছোঁ, সেইদৰে দেৱপ্ৰকাশ, পুনৰ (এজন মুছলমান ভাই), মৃছুলা বহন, আদি সকলোবিলাক ইয়াত থাকিব। মোৰ হকে মৃছুলা বহনে সকলো কাম চন্তালিব। কিন্তু তোমাক মই এৰিব নোৱাৰোঁ। তুমিও সেইটো ইচ্ছা নকৰা। সেই কাৰণে তুমি মোৰ লগতে আহিবা। মাল-পত্ৰ নিচেই অলপ লোৱা। আৰু এটা তৃতীয় শ্ৰেণীৰ সৰু কোঠা বাছি লোৱা। কিন্তু মনত ৰাখিবা ইয়াতেই তোমাৰ কঠিন পৰীক্ষা হব।"

মই বস্তু বৰ কমেই লৈছিলোঁ। কিন্তু ডব্বা বাচি লোৱাৰ সময়ত ভাবিলোঁ যে প্ৰত্যেক ষ্টেশনতে দৰ্শকসকলৰ ভিৰৰ কাৰণে বাপুই অলপো আৰাম কৰিবলৈ নাপাব। ইপিনে হৰিজন ফাণ্ডৰো হিচাপ ময়েই কৰিব লাগিব। তাৰো . শব্দ

হব। সেই কাৰণে মই দুটা খণ্ড থকা এটা ডবা বাচি লওঁ।। এখণ্ডত মাল-পত্ৰ ৰাখিলোঁ আৰু আন খণ্ডত বাপু শোৱাৰ বন্দবস্ত কৰিলোঁ।

পাটনাৰ পৰা দিল্লীলৈ গাড়ী ৰাতিপুৱা ৯-৩০ বজাত যায়। বাপু আৰু মই ৯-২৫ মিনিটত ষ্টেশন পালোঁহি। তাত মানুহৰ বৰ ভীৰ হৈছিল। তথাপি আমি গাড়ীত উঠিলোঁ। বাপুইতো এক মিনিট সময়ো এনেই নকটাইছিল!

তেওঁ পাচ মিনিটৰ ভিতৰত হৰিজন ফাণ্ডৰ কাৰণে পইচা গোটালে আৰু ৯-৩০ বজাত গাড়ী এৰিলে।

জহকালি বাপুৱে দহ বজাত ভোজন কৰিছিল। মই ভোজন তৈয়াৰ কৰিবলৈ ডবাটোৰ আনটো ভাগলৈ গলোঁ। অলপ সময়ৰ পিছত বাপুৰ ওচৰলৈ আহিলোঁ। বাপুই লিখিবলৈ ধৰিছিল। তেওঁ সুধিবলৈ ধৰিলে, "ক'ত আছিলা?" মই কলোঁ "তাত খানা তৈয়াৰ কৰিবলৈ ধৰিছিলোঁ।" তেওঁ মোক খিড়িকীৰে মুখ উলিয়াই চাবলৈ কলে। মোৰ নিশ্চয় কিবা ভুল হৈছে বুলি মই অনুভৱ কৰিবলৈ ধৰিলোঁ। বাহিৰলৈ চাই দেখোঁ যে মানুহবোৰ গাড়ীত ওলমি আহিছে।

বাপুৱে মিঠাকৈ ধমকিয়াই মোক কলে—"দ্বিতীয় ডব্বাটোৰ কাৰণে তুমি কৈছিলা নেকি?" মই কলো "হয়, মই কৈছিলোঁ। মই ভাবিছিলোঁ যে এই কোঠাটোত যদি মই মোৰ কাম কৰো, বাচন ধো, ষ্টোভত পানীৰ গৰম কৰো,

তেনেহলে আপোনাৰ কষ্ট হব। সেই কাৰণেই মই ঢুটা খণ্ড থকা ডব্বাটো বিচাৰি লৈছিলোঁ।”

বাপুজীয়ে কবলৈ ধৰিলে, “কেনেকুৱা ঢুৰ্ব্বল যুক্তি। ইয়াকেই অন্ধ প্ৰেম বোলে। তুমি জানা নহয় যে মোৰ কষ্ট দূৰ কৰিবৰ কাৰণে আকাশী জাহাজেৰে যাবলৈ অস্বীকাৰ কৰাৰ পিচত স্পেচিয়েল গাড়ীৰ বন্দবস্ত কৰিবলৈ ওলাই-ছিল। কিন্তু এখন স্পেচিয়েল ট্ৰেনৰ পিচত কিমান কেইখন গাড়ী বন্ধ হব লগাত পৰে আৰু কিমান টকা খৰচ কৰিব লগাত পৰে। মই এইটো কেনেকৈ সহ্য কৰোঁ? মই বৰ লুভীয়া! আজি তুমি আন এটা কোঠা খুজিছা। যদি ছেলুন খোজা তাকো পাবা। কিন্তু এইবোৰে তোমাক শোভা পায় জানো? তুমি আন এটা কোঠা খোজা আৰু ছেলুন খোজা সমান কথা। মই জানো যে মোৰ প্ৰতি অধিক চেনেহৰ বশ হৈহে তুমি এনে কৰিছা। কিন্তু মই তোমাক ওপৰলৈ তুলিব লাগে, তললৈ নমাব নালাগে। তুমিও এই খিনি বুজি পোৱা উচিত। যদি বুজি পাইছা তেনেহলে ইপিনে মই কৈ থাকোঁতে সিপিনে তোমাৰ চকুৰ পানী বব নালাগে। এই সকলো দোষৰ প্ৰায়শ্চিত্ত এয়ে যে তুমি সকলো বোৰ বস্তু এইটো কোঠালৈ আনা আৰু আগৰ ষ্টেশ্যনত ষ্টেশ্যন মাষ্টৰক মোৰ ওচৰলৈ মাতি আনিবা।”

মই থৰ-থৰকৈ কঁপিবলৈ ধৰিলোঁ। বস্তুবোৰ গুচোৱাৰ উপৰিও বাপুৰ কি হব এইটো চিন্তাই মোক ব্যাকুল কৰিবলৈ

ধৰিলে। বাপুৱে বহুত বাৰ আনৰ সৰু সৰু ভুলকে নিজৰ বুলি মানি লৈ উপবাস আৰম্ভ কৰিছিল। এইবাৰো কি জানি দুই এসাজ ভাত খাবলৈ এৰেই। গতিকে ইয়ো এটা মোৰ চিন্তাৰ বিষয় হৈ উঠিছিল। ইয়াৰ বাহিৰেও ঘৰৰ সকলো কাম, লিখা-পঢ়া, মাটিৰ লেপ লগোৱা, সূতা-কটা, মোক পঢ়োৱা আদি কামবোৰ ট্ৰেনতো ঘৰৰ নিচিনাই হৈছিল।

অৱশেষত ষ্টেশ্যন পালোঁহি। বাপুৱে ষ্টেশ্যন মাষ্টৰক মতাই অনালে আৰু কবলৈ ধৰিলে—“এই ছোৱালীজনী মোৰ নাতিনী হয়। বেচেৰী সৰলা। তাই বোধকৰোঁ মোক বুজিয়েই পোৱা নাই। সেই কাৰণে তাই দুটা কোঠালী বাছি লৈছে। ইয়াত অকল তাইৰেই দোষ নাই, মোৰো দোষ আছে। কিয়নো মই শিকোৱাতেই বোধকৰোঁ কিবা ত্ৰুটি হৈছে। এতিয়া তাৰ প্ৰায়শ্চিত্ত তো আমি দুয়োজনেই কৰিব লাগিব। আমি ২নং কোঠালীটো খালি কৰি দিছোঁ। যিবিলাক মানুহ গাড়ীত ওলমি আহিছে তেওঁলোকৰ কাৰণে এই কোঠাটো ব্যৱহাৰ কৰক। তেতিয়াহে মোৰ দুখ পাতলিব।”

ষ্টেশ্যন মাষ্টৰে বহুত মিনতি কৰিলে কিন্তু বাপুজী মানোতাৰ ভিতৰত নহয়। ষ্টেশ্যন মাষ্টৰে ইমান পৰ্য্যন্ত কৈছিল যে সেই মানুহবোৰৰ কাৰণে তেওঁ বেলেগ ডব্বা লগাই দিব। তেতিয়া বাপুৱে উত্তৰ দিলে—“বেলেগ

ডব্বাটো জোৰাই দিয়কেই। তদুপৰি এই কোঠাটোও ব্যৱহাৰ কৰক। প্ৰচুৰ পৰিমাণে পালেও যিটো বস্তুৰ আমাৰ আৱশ্যক নাই তাক ব্যৱহাৰ কৰাটোও এক প্ৰকাৰ হিংসাই। আমাক দিয়া সুবিধাৰ অপব্যৱহাৰ কৰাই আপুনি এই ছোৱালীজনীক নষ্ট কৰিব খুজিছেনে কি?” বেচেৰা ষ্টেশ্যন মাষ্টৰে লাজ পালে। তেওঁ বাপুৰ কথা মানিবলৈ বাধ্য হ'ল।

বাপু আছিল ৰাষ্ট্ৰ পিতা। তেওঁ আৰামকৈ বহিব আৰু তেওঁৰ লৰা-ছোৱালীয়ে ওলমি ওলমি ভ্ৰমণ কৰিব, এই কথা তেওঁ কেনেকৈ সহ্য কৰে? ইয়াৰ পৰা ওলমি থকা মানুহ বোৰেও ঠাই পালে আৰু ময়ো জীৱনত এইটো অমূল্য শিক্ষা পালোঁ যে আমি সহজে পোৱা বস্তুৰ ভিতৰত যিমানখিনি কম ব্যৱহাৰ কৰিব পাৰো সিমান ভাল। সেই সময়তো বাপুৰ সেই ধমকীটো ভাল লগা নাছিল। বাপুৱে এইদৰে সৰু সৰু কথাবোৰতো অহিংসা নীতি পালন কৰিছিল; আৰু তাৰপৰা মোৰ যিখিনি লাভ হৈছে তাক জীৱনলৈ পাহৰিব নোৱাৰোঁ।

অনিয়মিততা এটা দোষ

নোৱাখালীত বাপুৱে নিতৌ এখন গাৱঁৰ পৰা আন এখন গাওঁ ভ্ৰমণ কৰিবলৈ ললে। তেওঁ ৰাতিপুৱা ঠিক সাত বাজোঁতেই যাত্ৰা আৰম্ভ কৰিছিল। সাত বাজি দুই মিনিট গলেও তেওঁ সন্তোষ নাপাইছিল। এদিনাখন মাল-পত্ৰ ঠিককৈ লওঁতে মোৰ অলপ পলম হল। কিয়নো এনেকুৱা বহুতো বস্তু আছিল যিবোৰ নেকি বাপু টোপনিৰ পৰা উঠাৰ পিচত হে বান্ধিব পৰা গৈছিল। সেইবিলাক ঠিক কৰোঁতে পাঁচ মিনিট সময় লাগিল। সেই কাৰণে বাপুৱে মোক কবলৈ ধৰিলে—"চোৱা, বাহিৰত কীৰ্ত্তন কৰোঁতাসকল আৰু গাৱঁৰ আন আন মানুহবোৰ কেতিয়াবাৰ পৰাই থিয় হৈ আছে! তুমি এতিয়াও ওলাব পৰা নাই। তুমি পাঁচ শ মানুহৰ পাঁচ মিনিট সময় এনেই নষ্ট কৰিলা। এই ৰকমে কেনেকৈ হব? মই আহিলোঁ। তুমি পিচত আহি থাকা। ইমান খিনি সময় এনেই গ'ল। মই এইটো ভাল নাপাওঁ। মই আহিলোঁ—এই কথাৰ পৰা এইটো নাভাবিবা যে যদি সদায় এই দৰে পলম হয় তেনেহলে তুমিও সদায় পিচত আহিব পাৰিবা। এই বুলি যদি ভাবা যে মই বুঢ়া আৰু তুমি সৰু ছোৱালী; আৰু তুমি দৌৰি গৈ মোৰ লগ ধৰিবা, তেনেহলে ৰব পাৰা। কিন্তু এইটো এটা দোষ। এই

কাৰণে সদায় সময়মতে কাম কৰিব লাগে। কাৰাবাক যদি কওঁ—মই সাত বজাত ওলাম আৰু সাত বাজি দুই চেকেণ্ডো যদি যায় তথাপি সেই টোৱেই মোৰ মনত কাঁইটে বিন্ধা দিয়ে।”

শিল এটুকুৰা পাহৰাৰ শিকনি

নোৱাখালীত নাৰায়ণপুৰ নামৰ এখন গাওঁ আছে। আন দিনাৰ নিচিনা সাত বজাত বাপু সেইখন গাওঁ পালেগৈ। আমি এজন দুখীয়া তাঁতীৰ ঘৰত আছিলোঁ। গাৱঁলৈ গৈয়েই বাপুই সদায় গৰম পানীৰে ভৰি ধুওৱাইছিল আৰু অলপ নিজৰ লিখা-পঢ়া কৰিছিল। এইখিনি সময়তে মালিচ আৰু গা ধোৱাৰ যোগাৰ-পাতিখিনি কৰি উঠোঁ। সিদিনাখনো মই সেইদৰে সকলো কাম কৰিলোঁ। বাপুই কেতিয়াও চাবনেৰে গা ধুধুইছিল—কিন্তু খহটা শিল এটুকুৰা ব্যৱহাৰ কৰিছিল। বহুত বছৰ হ’ল, মীৰা বহনে তেওঁক সেই টুকুৰা শিল দিছিল। মই সেই শিল টুকুৰা আগৰ গাওঁখনত ভুলতেই এৰি আহিছিলোঁ। গা ধোৱা ঘৰত

যেতিয়া মই বস্তুবোৰ সজাই থলোঁ, তেতিয়া মোৰ শিল টুকুৰাৰ কথা মনত পৰিল। মই বাপুক কলো—“বাপুজী আপোনাৰ শিল টুকুৰা মই কৰবাত পাহৰি এৰি আহিলোঁ। বোধকৰোঁ কালিৰ সেই তাঁতীজনৰ ঘৰতেই ৰ’ল। এতিয়া কি কৰোঁ?” বাপুই অলপ সময় ভাবিলে। পিচত কলে —“তোমাৰতো ভুল হৈছেই। এতিয়া তুমি নিজেই যোৱা আৰু শিল টুকুৰা বিচাৰি আনাগৈ। কিন্তু যাওঁতে তুমি অকলেহে যাব লাগিব। যদি এবাৰ এনেকুৱা কৰা তেনেহলে দ্বিতীয় বাৰলৈ মনত থাকিব।”

মই ভয় ভয়কৈ সুধিলোঁ—“কিন্তু বাপুজী, এই গাৱঁত ইমানবোৰ স্বয়ংসেৱক আছে; তেওঁলোকৰ এজনক মই লগত লৈ যাব নোৱাৰোঁনে?” বাপুৱে সুধিলে, “কিয়?” ইয়াৰ উত্তৰ মই দিব নোৱাৰিলোঁ।

নোৱাখালীত নাৰিকল আৰু তামোল গছৰ সংখ্যা বৰ বেছি। সেইবোৰৰ মাজেৰে আহোঁতে স্বাভাৱিকতেই এজন অপৰিচিত মানুহে ৰাস্তা পাহৰি যায়। তদুপৰি সেই সময়ত ৰাষ্ট্ৰীয় ধুমুহাৰ প্ৰবল প্ৰকোপ। সেই ৰাস্তাটোৰ কাষত কেৱল মুছলমান সকলৰহে ঘৰ আছিল। ৰাস্তাটোও একেবাৰে নিৰ্জ্জন। গতিকে অকলে কেনেকৈ যাওঁ? কিন্তু যি ভুল কৰিছিলোঁ তাৰ কাৰণে নগৈও উপায় নাই। সেই কাৰণে মই বাপুৰ ‘কিয়?’ - ৰ উত্তৰ নিদিয়াকৈয়ে খৰেৰে ওলাই গলোঁ। কৰবাৰ পৰা গুণ্ডাই আহি আক্ৰমণ কৰাৰ

ভয়ো মনত আছিল। কিন্তু ৰাম নাম লৈ লৈ যিটো ৰাস্তাৰে আমি আহিছিলোঁ সেইটোৰেই ভৰিব খোজ চাই চাই যাবলৈ ধৰিলো। কোনো ৰকমে তাঁতীৰ ঘৰটো পালোঁ গৈ। ঘৰত কেৱল এজনী বুঢ়ী আছিল। এটুকুৰা শিলৰ মূল্য ইমান হব বুলি তাই নেজানে। সেই কাৰণে বেচেৰীয়ে তাক পেলাই দিছিল। মই বৰ কষ্ট কৰি শিলটুকুৰা বিচাৰিলোঁ। যেতিয়া পালোঁ তেতিয়া মোৰ আনন্দৰ সীমা নোহোৱাত পৰিল। সেইটো লৈ তৎক্ষণাত নাৰায়ণপুৰৰ ৰাস্তা উঠিলোঁগৈ। ৰাতিপুৱা ৯-৩০ বজাত ওলাই দুপৰীয়া ১ বজাত গৈ নাৰায়ণপুৰ পালোঁ। ভোকতো বৰ বেছিকৈয়ে লাগিছিল। কিন্তু তাতকৈও বেছি দুখ লাগিছিল যে এইখিনি ভুলৰ বাবে অলপ সময়ৰ কাৰণেও বাপুৰ সেৱা-শুশ্ৰূষা কৰিব নোৱাৰিলোঁ। সেই কাৰণে বাপুক শিল টুকুৰা দিওঁতে মোৰ চকু পানী ববলৈ ধৰিছিল।

বাপুৱে মোক কবলৈ ধৰিলে—"চোৱা আজি তোমাৰ পৰীক্ষা হ'ল। ঈশ্বৰে যি কৰে ভালেই কৰে। মনত আছে নহয়? তুমি যেতিয়া প্ৰথমতে মোৰ ওচৰলৈ আহা, সিদিনাই ৰাতি দুবজালৈকে মই তোমাক বুজাইছিলোঁ যে মোৰ যাত্ৰা-যজ্ঞত ভাগ লবৰ কাৰণে সাহসৰ বৰ আৱশ্যক। অলপো যদি সাহস নাইকিয়া হয় তেনেহলে ফেল্ কৰি দিম। এই কাৰণে যদি ইচ্ছা কৰা এতিয়াও মহুৱালৈ উভতি যাব পাৰা। এই শিল টুকুৰাতেই তোমাৰ প্ৰথম পৰীক্ষা শেষ হ'ল।

ইয়াত পাছ হোৱা কাৰণে মোৰ বৰ আনন্দ লাগিছে। এই শিল টুকুৰাৰ বয়স আজি ২৫ বছৰ হ'ল; ই মোৰ লগতেই আছে। মই জেলতেই থাকোঁ বা প্ৰাসাদতেই থাকোঁ সকলো সময়তে এই টুকুৰা মোৰ লগত থাকেই। এই টুকুৰা হেৰালে মোৰ আৰু মীৰা বহনৰ মনত বৰ দুখ লাগিব। 'এনেকুৱা বহুতো শিল পোৱা যাব। গতিকে এটা হেৰালে আন এটা বিচাৰি লম', এই ভাব মনত ৰাখি নিশ্চিন্ত হোৱা যে উচিত নহয় এই কথাষাৰো তুমি শিকিলা। আমি কামত অহা সকলো বস্তুকেই চম্ভালিব লাগে।"

মই কলোঁ—"কিন্তু বাপুজী, যদি কেতিয়াবা অন্তৰৰ সৈতে ৰাম নাম লৈছোঁ—সেই নিৰ্জ্জন বাটটোৰে যাওঁতে ভেনেহলে আজিয়েই লৈছোঁ। যাওঁতে হিয়া কঁপি উঠিছিল।"

বাপুই হাঁহি এটি মাৰি কলে, "দুখতহে ৰামক মনত পৰে!"

বাপুৰ লোভ

এবাৰ বাপুৰ খোৱাপানী গৰম কৰোঁতে পলম হ'ল। জলবায়ু সেমেকা কাৰণে চৌকা জ্বলা নাছিল। সেই কাৰণে মই নিজৰ শাৰী এখন ফালি কেৰাচিনত তিয়ালোঁ। বাপুই পিচৰ পৰা দেখা পাই মোক কলে—"মোক সেই কাপোৰ টুকুৰা দেখুওৱাচোন।" মই দেখুৱালোঁ। তেওঁ তাক জুখিলে আৰু কবলৈ ধৰিলে—"বাহ, ইয়াকটো ৰচিৰ কামত লগাব পৰা যায়! পুৰিব কেলৈ লাগিছে? ইয়াক ধুই শুকাবলৈ দিয়া। তুমি জানানে মই কিমান লোভী! গৰম পানী হওঁতে অলপ পলম হলেইবা তাত কি হ'ল। এই কাপোৰ টুকুৰাই ইমান তেল শুহিছে। যদি মই নেদেখিলোহেঁতেন তেনেহলে ই পুৰি নগলহেঁতেন নে?"

মই কলোঁ—"বাপুজী, এতিয়া ইয়াৰ প্ৰতি কিয় ইমান লোভ কৰিছে?" তেওঁ ঠাট্টাৰ সুৰতে কলে—"হুঁ, তুমিতো উদাৰ পিতাৰাৰ ছোৱালী। কিন্তু মোৰ তোমাৰ নিচিনা পিতা পাবলৈ নাই।" ইয়াকে কৈ তেওঁ একেবাৰে গম্ভীৰ হৈ গ'ল আৰু কলে—"চোৱা মোৰ ঠাট্টাতেই সদায় গভীৰ অৰ্থ প্ৰকাশ পায়। যদি তুমি সেইখিনি ধৰিব পৰা হোৱা তেনেহলে মোৰ কাৰণে সেয়েই যথেষ্ট।"

অৱশেষত কাপোৰ টুকুৰা শুকাই ৰচিৰ কামত ব্যৱহাৰ

কৰোৱাত বাপুৰে সন্তোষ পালে। আৰু ওচৰতে যিবোৰ ঘাঁহ-বন পৰি আছিল সেইবোৰেৰে জুই ধৰিবলৈ শিকালে।

দেশৰ ডাঙৰ ডাঙৰ সমস্যা সমাধানত ব্যস্ত থাকিও বাপুই এনেকুৱা সৰু সৰু কথাবোৰ শিকাই বৰ ৰং পাইছিল।

কোৱাতকৈ কৰা ভাল

বাপুই সদায় পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিছিল। বাহিৰৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতিতো চকু ৰাখিছিলেই, আন কি ভিতৰৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতিও তেওঁ বিশেষ মনোযোগ দিছিল। কোনো কাম পৰিষ্কাৰ পৰিচ্ছন্নতাৰে নহলে তেওঁ বাৰে বাৰে কৈ থকাৰ অপেক্ষা নিজেই কৰি আগত থকা সকলক পৰিষ্কাৰ পৰিচ্ছন্নতাৰ পাঠ পঢ়ুৱাইছিল।

নোৱাখালীৰ বাটবোৰ বৰ ঠেক। তাৰ ভিতৰত দুই এটা ইমান ঠেক যে মই বাপুৰ লৈতে একেলগে যাব নোৱাৰিছিলোঁ। বাপুই অকলে যাব লগাত পৰিছিল। মোৰ আশ্ৰয় নোহোৱা কাৰণে তেওঁ লাঠী এডালৰ আশ্ৰয়

লৰ লগাত পৰিছিল। ৰাস্তাৰ ঘ'তে ত'তেই থুই, মল মূত্ৰ আদি লেতেৰা বস্তুবোৰ পৰি আছিল। সেইবোৰ দেখি বাপুই বৰ দুখ পাইছিল। আৰু সেইবোৰৰ মাজেৰে আমি সুদা ভৰিৰে যাব লগা হৈছিল।

এদিনাখন ইফালে সিফালে পৰি থকা গছৰ শুকান পাতবোৰ বুটলি লৈ বাপুৱে বাটৰ ওপৰত পৰি থকা মল-মূত্ৰ হাতেৰে পৰিষ্কাৰ কৰিবলৈ ধৰিলে।

গাৱঁৰ মানুহবোৰে চাই ৰল। মই অলপ পিচ পৰিছিলোঁ। ময়ো দেখা পাই আচৰিত হলোঁ আৰু খঙেৰে কলোঁ—"বাপু আপুনি মোক কিয় লাজত পেলাইছে? মই আপোনাৰ পিচতেই আছিলোঁ। তথাপি মোক নকৈ আপুনি নিজেই কিয় চাফ কৰিবলৈ ধৰিলে?"

ইয়াৰ উত্তৰত বাপুই এটা হাঁহি মাৰি কলে—"এইবোৰ কাম কৰি মই কিমান আনন্দ পাওঁ তুমিতো নাজানা! তোমাক কোৱাতকৈ যদি মই নিজেই কৰোঁ তেনেহলে মোৰ দুখ কিমানখিনি লাঘৱ হয়!" মই কলোঁ—"কিন্তু গাৱঁৰ মানুহবোৰেতো চাই আছে।" বাপুই কলে,—"চাবা, কালিৰ পৰা মই এইদৰে ৰাস্তা চাফ কৰিব লগাত নপৰিব। কিয়নো আজিৰ ঘটনাৰ পৰা এই মানুহবোৰে শিকিব যে এই কামটোও গোটেই নগণ্য নহয়। কিন্তু মানুহবোৰে যদি মোৰ খাতিৰতহে পৰিষ্কাৰ কৰে তেনেহলে মোৰ মনত দুখ লাগিব।"

মই সুধিলো—“মানুহবোৰে কাইলৈ বাটটো পৰিষ্কাৰ কৰি পিচত যদি এনেই পেলাই থয় তেনেহলে আপুনি কি কি কৰিব ?” তাৰ উত্তৰত তেওঁ মোকেই ফান্দত পেলাই কলে—“তেতিয়া মই তোমাক চাবলৈ পঠিয়াম। আৰু যদি বাস্তা আগৰ নিচিনাই অপৰিষ্কাৰ দেখোঁ তেনেহলে মই পুনৰ পৰিষ্কাৰ কৰিবলৈ ইয়ালৈ আহিম। অপৰিষ্কাৰক পৰিষ্কাৰ কৰাটোৱেই মোৰ কাম।”

আচলতে তেনেকুৱাই হ’ল। পিচিদিনাখন মই চাবলৈ যোৱাত আগৰ নিচিনাই অপৰিষ্কাৰ হৈ আছিল। কিন্তু বাপুক কবলৈ নগৈ মই নিজেই তাক পৰিষ্কাৰ কৰি উভতিলোঁ। উভতি গৈ মই বাপুক কলোঁ—“মই ৰাস্তা পৰিষ্কাৰ কৰি আহিলোঁ। গাৱঁৰ মানুহবোৰেও মোৰ লগত সহযোগ কৰিছিল। আজি তেওঁলোকে কথা দিছে যে কালিৰ পৰা তেওঁলোকে নিজক নিজেই পৰিষ্কাৰ কৰি লব। আপোনাৰ ইয়ালৈ অহাৰ আৱশ্যক নাই।” বাপুজীয়ে কবলৈ ধৰিলে—“অৰে! মোৰ পুণ্যৰ ভাগ তুমি ললা। ৰাস্তাটো মই পৰিষ্কাৰ কৰিব লাগিছিল। সি যি কি নহওক ছুটা কাম হ’ল। প্ৰথমতে ৰাস্তা পৰিষ্কাৰ হৈ থাকিব। দ্বিতীয়তে মানুহবোৰে যদি নিজৰ কথা পালন কৰে তেনে-হলে তেওঁলোকে সত্যৰ বিষয় জানিব পাৰিব।” ইয়াৰ পিচত সেই ৰাস্তাটো সদায় পৰিষ্কাৰ হৈ আছিল।

ওপৰোক্ত ঘটনাটো লৈ বাপুৱে তিনি চাৰি দিন মান

পিচত কৈছিল—“আমাৰ কাঠিয়াৱতো মানুহবোৰৰ বাট-ঘাটবোৰ অপৰিষ্কাৰকৈ ৰখা অভ্যাসটো বৰ বেয়া। তুমি এইটো নাভাবিবা যে ৰাস্তাৰ য'তে ত'তে থুই পেলোৱা, শৌচ কৰা আদি অভ্যাস নোৱাখালীৰ মানুহবহে আছে। এই কু-অভ্যাসটো ভাৰতৰ প্ৰত্যেক ঠাইতে আছে। তাৰ ভিতৰত কাঠিয়াৱত বেছি পৰিমাণে আছে। সকলো কালৰ পৰাই এই কু-অভ্যাসটো আঁতৰাবলৈ মোৰ বৰ ইচ্ছা আছিল। কিন্তু ভাগ্যক্ৰমে মই কাঠিয়াৱত বেছি দিন স্থিৰেৰে থাকিব নোৱাৰিলোঁ। তোমাৰ মোৰ ওপৰত খং উঠিছিল। কিন্তু সেইটো উচিত নহয়। যেনেকৈ নিজেই নাখালে পেট নভৰে সেই দৰে মোৰ অভ্যাসেই হৈছে যে যেতিয়ালৈকে মই নিজে অপৰিষ্কাৰক পৰিষ্কাৰ নকৰোঁ তেতিয়ালৈকে মই সন্তোষ নাপাওঁ। পৰিষ্কাৰ কৰা কামত মই বৰ আনন্দ পাওঁ।”

ৰামেই আচল ডাক্তৰ

নোৱাখালীত আমকী নামৰ এখন গাওঁ আছে। তাত বাপুৰ কাৰণে ক'তো ছাগলীৰ গাখীৰ পোৱা নগল। চাৰিওপিনে বিচাৰি বিচাৰি ভাগৰ লগাত মই বাপুক কথাটো কলোঁ। বাপুৱে কবলৈ ধৰিলে—"তাৰ পৰা কি হ'ল? ছাগলীৰ গাখীৰৰ কাম নাৰিকলৰ গাখীৰে ভালদৰে দিব পাৰে। আৰু ছাগলীৰ ঘিউৰ পৰিবৰ্ত্তে আমি নাৰিকলৰ টাটকা তেল উলিয়াই খাম।"

ইয়াৰ পিচত বাপুৱে নাৰিকলৰ গাখীৰ আৰু তেল উলিওৱা প্ৰণালী মোক শিকাইছিল। মই উলিয়াই তেওঁক দিছিলোঁ। বাপুৱে সদায় আঠ আউন্স ছাগলীৰ গাখীৰ খাইছিল। সেইদৰে নাৰিকলৰ গাখীৰো আঠ আউন্সকৈ খাবলৈ ধৰিলে। কিন্তু হজম কৰা টান হ'ল। তেওঁৰ পেটৰ অসুখ হবলৈ ধৰিলে। সেই কাৰণে গধূলিলৈকে তেওঁ ইমান দুৰ্ব্বল হল যে বাহিৰৰ পৰা পঁজাটোলৈ আহোঁতে আহোঁতে তেওঁৰ মূৰ ঘূৰাবলৈ ধৰিলে।

বাপুৰ মূৰ ঘূৰোৱাৰ আগতেই তাৰ লক্ষণবোৰে দেখা দিছিলহি। তেওঁৰ হামি আৰু ঘাম ওলাবলৈ ধৰিলে। এইদৰে হামি কঢ়াৰ পিচত মূৰ ঘূৰাব বুলি মই প্ৰথমেই জানিছিলোঁ। কিন্তু বিচনাখন কেৱল চাৰি ফুট দূৰত থকা

কাৰণে মই ভাবিছিলোঁ যে বাপুজী সেই খিনি পাবগৈ। কিন্তু মোৰ আন্দাজ ভুল হল। মোৰ সৈতে যাওঁতে যাওঁতে বাপুজী ইফালে সিফালে ঢলি পৰিবলৈ ধৰিলে। মই সাৱধানেৰে তেওঁৰ মূৰত ধৰিলোঁ আৰু নিৰ্ম্মল বাবুক মাতিলোঁ। মই আকৌ ভাবিলোঁ—'যদি বাপুৰ অসুখ বেছি হয় তেনেহলে মানুহে মোক মূৰ্খ বুলিব। ওচৰৰ গাওঁ এখনতে সুশীলা বহন আছে। তেওঁকনো নামাতোঁ কিয়?' মই চিঠি এখন লিখি নিৰ্ম্মল বাবুৰ হাতত দিলোঁ। এনেতে বাপুৰ অলপ চেতনা আহিল। তেওঁ মোক মাতি কলে—"মনুৰী!" (বাপুজীয়ে মৰমতে মোক মনুৰী বুলি মাতিছিল।) মই ওচৰলৈ যোৱাত কবলৈ ধৰিলে—"তুমি নিৰ্ম্মল বাবুক চিঞৰি মাতিছিলা। মোৰ এইটো ভাল লগা নাই। তুমি এতিয়াও সৰু ছোৱালী হৈ আছা। এই কাৰণে মই তোমাক ক্ষমা কৰিব পাৰো। কিন্তু তোমাৰ পৰা মই এই খিনিকেই আশা কৰোঁ যে তুমি একো নকৰি কেৱল অন্তৰেৰে ৰাম নাম লৈ থাকা। মইতো মনতে ৰাম নাম লৈয়েই আছোঁ। তুমি নিৰ্ম্মল বাবুক নামাতি যদি ৰাম নাম লবলৈ আৰম্ভ কৰিলাহেঁতেন তেনেহলে মই বেছি ভাল পালোহেঁতেন। এতিয়া এই কথাটো সুশীলাক নকবা আৰু তেওঁক চিঠি দি নামাতিবা। কিয়নো ৰাম নামেই মোৰ আচল ডাক্তৰ। যেতিয়ালৈকে তেওঁ মোৰ দ্বাৰাই কাম কৰাব খোজে, তেতিয়ালৈকে মোক জীয়াই ৰাখিব। নহলে মাৰি নিব।"

'সুশীলাক নামাতিবা' এই কথাষাৰ শুনা মাত্ৰেই মোৰ গা কঁপি উঠিল। আৰু তৎক্ষণাৎ নিৰ্ম্মল বাবুৰ হাতৰ পৰা চিঠিখন লৈ আহিলোঁ। চিঠি ফালি গল। বাপুৱে সুধিলে —"কি? তুমি চিঠি লিখিয়েই পেলাইছিলা নহয়নে?" মই উপায় নাপাই স্বীকাৰ কৰিলোঁ। তেতিয়া তেওঁ কবলৈ ধৰিলে—"আজি ঈশ্বৰে তোমাক আৰু মোক দুয়োকো বচালে। এই চিঠিখন পাই সুশীলাই নিজৰ সকলো কাম এৰি মোৰ ওচৰলৈ দৌৰি অহা কথাটো মই সমূলি ভাল নাপাওঁ। মই তোমাৰ ওপৰত আৰু মোৰ ওপৰতো অসন্তুষ্ট হলোহেঁতেন। আজি মোৰ পৰীক্ষা হৈ গ'ল। মোৰ অন্তৰখন ৰাম নামেৰে ভৰি গলে মই কেতিয়াও বেমাৰত পৰি নমৰোঁ। এই নিয়মটো কেৱল মোৰ কাৰণেই নহয়—সকলোৰে কাৰণে; নিজৰ ভুলৰ পৰিণাম সকলোৱে ভুগিব লাগিব। মই আজি যি কষ্ট ভুগিব লগাত পৰিছোঁ ইয়ো মোৰ কেতিয়াবাৰ ভুলৰেই ফল। তথাপি শেষ নিশ্বাস থকা পৰ্য্যন্ত ৰাম নামহে স্মৰণ কৰিব লাগে। সেই বুলি ভাটৌৰ নিচিনা নহয়; বৰং সৰল অন্তঃকৰণেৰে লব লাগে। ৰামায়ণত লিখাৰ নিচিনা সীতাই যেতিয়া হনুমানক মুকুতাৰ মালাধাৰি দিছিল তেতিয়া হনুমানে তাক ছিঙি পেলাইছিল। কিয়নো তাত ৰামৰ নাম আছিল নে নাই তাকেহে তেওঁ চাইছিল। এই কথাটো সত্য হয় নে নহয় সেই বিষয়ে আমি খুব ঘমাৰৰ প্ৰয়োজন নাই। ইয়াৰ পৰা আমি এইখিনি শিক্ষা

উচিত যে, হনুমানৰ নিচিনা বিৰাট শৰীৰ ধাৰণ কৰিব নোৱাৰিলেও আমাৰ আত্মাক তেওঁৰ নিচিনা নিশ্চয় পবিত্র কৰিব পাৰোঁ। মানুহে ইচ্ছা কৰিলে এই পটন্তৰটো সিদ্ধ কৰাব পাৰে। যদি সিদ্ধ কৰিবলৈ যত্নও কৰে তথাপি যথেষ্ট হয়। গীতাত কৈছে যে মানুহে যত্ন কৰিব লাগে, 'ফলাফল বিভুৰ হাতত'। এই কাৰণে তুমি, মই সকলোৱে যত্ন কৰিব লাগে। এতিয়া তোমাৰ নাইবা আনৰ অসুখৰ সম্বন্ধে মোৰ ধাৰণা কেনেকুৱা—বুজিলা নহয় নে?"

সিদিনাখন অসুখীয়া মহিলা এগৰাকীলৈও বাপুই এই কথাষাৰকেই লিখিছিল—"সংসাৰত যদি কিবা আচল ঔষধ আছে তেনেহলে ৰাম নামেই। এই নাম লওঁতাসকলে ৰাম নাম লবৰ অধিকাৰ পাবৰ কাৰণে যিবিলাক নিয়ম পালন কৰা উচিত সেই সকলোবোৰ পালন কৰিব লাগে। কিন্তু ৰাম নামৰ চিকিৎসা কৰিবলৈ সকলোৰে সিমান যোগ্যতা কত?"

(মোৰ নোৱাখালীৰ দৈনিক ডায়ৰীৰ পৰা)

ওপৰোক্ত ঘটনাটো ১৯৪৭ চনৰ ৩০ জানুৱাৰীৰ দিনাখন ঘটিছিল। বাপুৰ মৃত্যুৰ ঠিক এবছৰ আগত।

শেষমুহূর্ত্ত পৰ্য্যন্ত তেওঁৰ ৰাম নামৰ প্রতি শ্রদ্ধা অটল ভাবেই ৰ'ল। ১৯৪৭ চনৰ ৩০ জানুৱাৰীৰ দিনাখন এই বিচিত্র ঘটনাটো ঘটিল। ১৯৪৮ চনৰ ৩০ জানুৱাৰীৰ দিনাখন বাপুৱে মোক কলে—"শেষ নিশ্বাস থকা পৰ্য্যন্ত আমি

ৰাম নাম লোৱা উচিত।" এই দৰে জীৱনৰ শেষ মুহূৰ্ত্ততো বাপুৰ মুখৰ পৰা ছুবাৰ ৰা···ম ৰা···ম শব্দ শুনা ভাগ্য মোৰেই যে আছিল তাক মই কল্পনাও কৰিব পৰা নাছিলোঁ। ঈশ্বৰৰ লীলা কেনে বিচিত্ৰ!

'আজি হেৰা আজিৰ দিনত'

পূজ্য বাপুৱে নিজৰ মানুহবোৰক নোৱাখালীত বেলেগ বেলেগ ঠাইত কামত লগাই দিয়াৰ পিচত তেওঁৰ ওপৰত কামৰ বৰ হেঁচা পৰিছিল। তেওঁৰ নিজৰ অফিচৰ কাম ইমান আছিল যে ছজন মানুহে কথমপিহে শেষ কৰিব পাৰিছিল। এই ছজন মানুহৰ কাম নিৰ্ম্মলবাবু আৰু বাপুই অকলে কৰিবলগীয়া হৈছিল। নিৰ্ম্মলবাবু অকলশৰীয়াৰ উপৰিও নতুন আছিল। তদুপৰি তেওঁ বঙালী আৰু ইংৰাজী ভাষাতহে কাম চলাব পাৰিছিল। সেই কাৰণে গুজৰাটী, হিন্দী, মাৰাঠী আদি বেলেগ ভাষাৰ কামবোৰ বাপুৰ মূৰতে পৰিছিল। ইয়াৰ উপৰিও তেওঁ মানুহৰ সৈতে দেখা কৰিবও লাগিছিল আৰু প্ৰাৰ্থনা সভাৰ বক্তৃতাও ভাল বকমে বাতৰি

কাকতত দিবৰ কাৰণে নিজেই চাব লগাত পৰিছিল; কিয়নো সংবাদদাতা সকলে প্ৰায়েই তেওঁৰ বক্তৃতাবোৰক মানুহৰ মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰাকৈ লিখিব নোৱাৰিছিল। যাতে ক'তো অৰ্থৰ অনৰ্থ নহয় তাৰ বাবে বাপুই নিজে চকু ৰাখিছিল।

সদায় মালপত্ৰ বন্ধা আৰু এটা বস্তুও যাতে ক'তো বৈ নাযায় তাৰে চোৱা এইটোৱেই আটাইতকৈ মস্কিল কাম আছিল। এই ভাৰটো মোৰ ওপৰতেই আছিল। তথাপি মই যাতে ঠিক সময়ত তৈয়াৰ হব পাৰোঁ তাৰ কাৰণে বাপুৱেও চিন্তা কৰিব লগাত পৰিছিল। অলপো আৰাম নাছিল। এখন গাৱঁতেই যেতিয়া চাৰি পাঁচ বছৰৰ মূৰত ঘৰ সলাব লগাত পৰে তেতিয়া আমাৰ কিমান খং উঠে সেই কথাটো সকলোৱেই জানে। কিন্তু ইয়াততো সদায় বদলাব লগাত পৰিছিল।

বহুতে ভাবিব পাৰে 'বাপুৰ নো বস্তু কিমান?' কিন্তু কথাটো হৈছে এয়ে যে যাতে কাৰো ওপৰত নিৰ্ভৰ কৰিব নালাগে তাৰ বাবে বাপুৱে নিজৰ আৱশ্যকীয় সকলো বস্তু নিজৰ লগতেই ৰাখিছিল। তেওঁৰ আৱশ্যকীয় বস্তুৰ ভিতৰত অকল কাগজ পেন্সিলেই নহয়, বেজি, সূতাকে আদি কৰি বন্ধা সাজ-বাচন, বেলনা, তাৱা, চিমটা, কটাৰী, কাঁহী, শিলৰ বা মাটিৰ বাটি, ভাত খাবলৈ কাঠৰ চামুচ, গিলাচ, গা ধুবলৈ ৰালটি, চাবন, 'কমোড' আদি সকলো বস্তু লগত ৰাখিবৰ

কাৰণে বাপুৱে আমাক কৈছিল। নোৱাখালীৰ সকলোবোৰ ঘৰ যে পুৰি গৈছিল নাইবা এইবোৰ বস্তু ক'তো পাবলৈ নাই, এই ভাবিয়েই এইযোৰ লগত লৈ ফুৰা নগৈছিল; বৰং বাপুৱে নিজৰ বস্তু ব্যৱহাৰ কৰিবলৈ ভাল পাইছিল। তেওঁ বিৰলা-ভবনত থাকোঁতেও নিজৰ বস্তুকেই ব্যৱহাৰ কৰিছিল। ইয়াৰ বাহিৰেও তেওঁৰ অফিচৰ এখন মোনা আছিল। তাৰ পৰা এটুকুৰা কাগজ হেৰালেও বাপুৰ সকলো কাম বন্ধ হৈ যাব পৰিছিল। সেই মোনাখনতে গীতা, ৰামায়ণ, বাইবেল, কোৰণ-চৰীফ, ভজনাৱলী, পণ্ডিত নেহৰু, চৰ্দ্দাৰ পেটেল আদি নেতাসকলৰ চিঠি-পত্ৰ আদি আছিল।

তাৰ বাহিৰেও বাপুৱে ডাকত অহা চিঠিবোৰৰ পৰাও নেলেখা অংশবোৰ গোটাই তাতেই চিঠিৰ উত্তৰ দিবলৈ লৈছিল। এনেকুৱা চিঠিৰ টুকুৰাবোৰো সেই মোনাতে আছিল। এই মূল্যবান মোনা খনৰ চাৰ্জ মোৰ ওপৰত আছিল; তথাপি বাপুই কৈ থৈছিল—"যদি কিবা বস্তু হেৰায় তেনেহলে তুমি সাৰিবা, কিন্তু মই কিবা সাৰিব পাৰিম নে?"

বাপুই মোনাখনৰ কাৰণে কিমান চিন্তা কৰিছিল পাঠক সকলে এই বাক্যটোৰ পৰাই বুজিব পাৰিব। যিহেতু এখন গাৱঁত এদিন মাত্ৰ থাকিব লাগিছিল, সেইবাবে যেনে তেনে ভাবেও মই বস্তুবোৰ সোমাই লব নোৱাৰিছিলোঁ। কিয়নো মই বস্তুবোৰ কেনেভাবে ৰাখিছোঁ তাকো বাপুই কেতিয়াবা কেঁতিয়াবা হঠাতে আহি চাইছিল।

নোৱাখালীৰ এই মহা-যজ্ঞৰ সময়ত বাপুৰ মানসিক অৱস্থা কেনেকুৱা আছিল তাক তলৰ চিঠিখনৰ পৰা বুজিব পৰা হব।

"মই ইয়াৰ কাম কেনেকৈ শেষ কৰোঁ? যিপিনেই চাওঁ সেই পিনেই অগ্নিশিখা প্ৰজ্জ্বলিত। ভগৱানে দয়া কৰি মোক ঠিক মতে চলাই আছে। মোৰ সত্য আৰু অহিংসা দুয়োকো এনেভাবে জোখা হৈছে যে মুকুতা কিয়, এডাল চুলিৰ চাৰি ভাগৰ এভাগৰ ওজনো পৰিষ্কাৰ ৰূপে জানিব পৰা যাব। বৰ ডাঙৰ পৰীক্ষা। চাৰিওপিনে অসত্যৰ প্ৰচলন। সত্যক বিচাৰিলেও ক'তো পাবলৈ নাই। অহিংসাৰ নামত হিংসা হবলৈ ধৰিছে, ধৰ্ম্মৰ নামত অধৰ্ম্ম হবলৈ ধৰিছে; কিন্তু ইয়াতেই মোৰ সত্য আৰু অহিংসাৰ পৰীক্ষা হব পাৰে। সেইকাৰণে পৰীক্ষা দিবলৈ মই ইয়াতেই বহিছোঁ।"

এই গধুৰ বোজাটো কঢ়িয়াবলৈ বাপুই সদায় ৰাতি দু বজাত উঠিছিল। মোকো জগাইছিল। ইমান জাৰত ইমান সোনকালে বিচনাৰ পৰা উঠিবলৈ মোৰ স্বাভাবিকতেই হেলা হৈছিল। কিন্তু বাপুৰ কেতিয়াও এলাহ লগা নাছিল। এদিনাখন মই বাপুক ঠাট্টাৰ সুৰতে কৈছিলোঁ—"বাপুজী, আজি ৰাতি যদি ঘৰী চোৱাত ভুল হয় নাইবা আপুনি টোপনিব পৰা পলমকৈ সাৰ পায় তেনেহলে মই প্ৰসাদ বিতৰণ কৰিম।"

বাপুই এটা হাঁহি মাৰিলে আৰু কলে—"ভগবান তোমাৰ

নিচিনা লোভী নহয়।” তেনেকুৱাই হল। ভগৱানকো যেন মোৰ প্ৰসাদৰ আৱশ্যক নহ’ল। পিচ দিনাখন বাপু মোৰ ওচৰলৈ গৈ মৰমেৰে গালতে চপৰিয়াই কবলৈ ধৰিলে—“মনুৰী, উঠাচোন। চোৱা তোমাৰ ভগৱানক তোমাৰ প্ৰসাদৰ আৱশ্যক নহল।” আৰু মোক চাকি জ্বলাবলৈ কলে।

বাপুই ৰাতি শুবৰ সময়ত চাকি নুমুৱাইছিল। এই বিষয়ে মই কলো—“বাপু, আমি ৰাতি এঘাৰ বজাত শো আৰু দু বজাত উঠোঁই। তেনেস্থলত লেম্পটো অলপ জ্বলি থাকিলে আপোনাৰ আপত্তিটো কি?” তেওঁ কলে, “তোমাৰ কথাটো ঠিকেই। কিন্তু মোক ইমানখিনি ঘাঁহৰ তেল কোনে দিব? তুমিও উপাৰ্জ্জন নকৰা আৰু ময়ো উপাৰ্জ্জন নকৰো। অৱশ্যে তোমাৰ দেউতাৰাই মহুৱাত উপাৰ্জ্জন কৰি আছে। সেই কাৰণে তুমি এইদৰে ভাবিব পাৰিছা। কিন্তু তুমি জানানে চাকি নুমুৱাৰ পৰা মোৰ দুটা কাম হয়। প্ৰথম কথা চাকি জ্বলাই ৰাখিলে তোমাৰ টোপনিত ব্যাঘাত জন্মে। তাৰ পৰা মই যদি কিবা লিখিবৰ দৰ্কাৰ হয় তেনেহলে তুমি নোটোপনি-ওৱাকৈয়ে লিখিব পাৰা। দ্বিতীয় কথা ঘাঁহৰ তেলতো বৈ যায়েই। এইদৰে মোৰ ‘আইবো বাৰ্ত্তা আৰু গঙ্গাবো যাত্ৰা’ (এক পন্থ দো কাজ) হয়।”

তেওঁ আকৌ কবলৈ ধৰিলে—“তুমি আইবো বাৰ্ত্তা গঙ্গাবো যাত্ৰা’—কথাষাৰৰ ভু পোৱানে?” মই সাধাৰণ অৰ্থটো কলোঁ। কিন্তু বাপুৱে আন এটা অৰ্থহে কলে।

"আইৰো বাৰ্ত্তা গঙ্গাৰো যাত্ৰা, এটা পথ দুটা কাম (এক পন্থ দো কাজ) অৰ্থাৎ এনেকুৱা কোনটো ৰাস্তা আছে যিটোৰে গলে আমাৰ সদায় দুটা কাম হয়? দুটা কাম মানে কেৱল দুটা কাম বুলি ভাবিব নেলাগে। দুটা কাম মানে অনেক কাম—এশও হব পাৰে। এইবাবে আমি সদায় এনেকুৱা পথ বিচাৰি উলিয়াব লাগে যিটোৰে গলে বহুতো কাম হয়। এই নোৱাখালীত অসংখ্য মানুহৰ জীৱন নাশ হ'ল। ইয়াৰ পৰা আমি ইয়াকেই ভাবিব লাগে যে আমি এক মিনিট সময়ো এনেই নষ্ট কৰা উচিত নহয়। শৰীৰৰ কাৰণে যিমান খিনি সময় শোৱাৰ আৱশ্যক ঠিক সিমান খিনি সময় হে শুব লাগে। যিমান খিনি আহাৰৰ প্ৰয়োজন সিমানেই খোৱা উচিত। আমি সকলোকে সীমাবদ্ধ কৰিব লাগে। কিয়নো ভজনত কোৱা হৈছে—'আজনো লহাবো লীজিয়ে ৰে, কাল কোণে দিঠীছে।' আমি আজিৰ লাভ আজিয়েই গোটাব লাগে। কাইলৈ কি হয় কোনে জানে? মই আজি তোমাক এই সময়ত—ৰাতি দুবজাত—এইবোৰ কথা বুজাইছোঁ আৰু ঈশ্বৰে যদি মোকে এই সময়তেই মাৰি নিব খোজে, তেনেহলে নিয়ক। এই কামটো তেওঁৰ হাতত। সেই কাৰণে এই কথাবাৰ ভালদৰে বুজি লোৱা দৰ্কাৰ।

"যিটো কাম কৰাৰ লগে লগে আন বহুতো কাম হয় এনেকুৱা কাম কোনটো হব পাৰে? এনেকুৱা কাম কেৱল এটাই। সেইটো হৈছে পৰোপকাৰ। পৰোপকাৰ মানে

ওচৰচুবুৰীয়াৰ সেৱা কৰা আৰু ইয়াৰ নামেই ঈশ্বৰ-ভক্তি। কেৱল মালা জপিলে নাইবা ফোট লগালেই ভক্তি কৰা নহয়। কপালত ফোট লগাই যদি ছুৰী মাৰি ফুৰোঁ তেনেহলে আমাক ভণ্ড বুলিব। নৰসিংহ নামৰ ভকতে কৈছে যে মূৰ কটাব পাৰিলেহে ভক্তি কৰা হয়। যদি তুমি শৰীৰেৰে এনে ভক্তি কৰিব নোৱাৰা, তেনেহলে মনেৰেই এনে ভক্তি নাইবা পৰোপকাৰ কৰা উচিত। উঠা-বহা, ফুৰা-চকা, খোৱা-লোৱা সকলো সময়তে মনেৰে জগতৰ কল্যাণ কামনা কৰিব লাগে। আৰু সেৱাৰ যি কামেই আমাৰ হাতত পৰে কৰিব লাগে। যদি তুমি এইখিনিকেই বুজি পোৱা তেনেহলেও যথেষ্ট শিকিব পাৰিবা। আমাৰ একো ফাঁকি কথাতেই এনে গূঢ় তত্ত্বেৰে ভৰপূৰ। চোৱা, মই সাধাৰণ ঘাঁহৰ তেলৰ বিষয় কওঁতে কওঁতেই এটা পাঠ পঢ়ালোঁ!”

ৰাতি দুবজাত যেতিয়া নিতাল নিস্তব্ধ প্ৰকৃতিৰ চাৰিও-পিনে শান্তি বিৰাজ কৰিছিল, তেতিয়া এই মহান গুৰুৱে প্ৰায় ২০ মিনিট সময় মন্দ মন্দ স্বৰেৰে মোক এই গুৰু-গম্ভীৰ পাঠটো পঢ়াইছিল। এই খিনি সময় কথা কওঁতেও যাতে কাৰো টোপনিত ব্যাঘাত নজন্মে তাৰ কাৰণে তেওঁ সতৰ্ক আছিল।

'একলা চলো ৰে'

নোৱাখালীৰ পঁজাবোৰ মাটি আৰু নাৰিকলৰ পাতেৰে সজা। পকীঘৰ বহুত কম। যি দুই এটা আছিল তাকো নোৱাখালীৰ হত্যাকাণ্ডৰ সময়ত পুৰি পেলোৱা হৈছিল।

শ্ৰীৰামপুৰ গাৱঁত বাপুৰ প্ৰধান বাসস্থান আছিল। আমাৰ ঘৰটোও মাটি আৰু পাতেৰে সজা। আমাৰ গুজ-ৰাটতো খেতিয়ক সকল এনেকুৱা ঘৰতেই বাস কৰে।

শ্ৰীৰামপুৰত আমাৰ বন্ধু-বান্ধৱ সকলে এই পঁজাৰ ভিতৰতে ভাল ৰকমে থকাৰ ব্যৱস্থা কৰি দিছিল। কিন্তু বাপুই যেতিয়া খোজ কাঢ়ি ভ্ৰমণ কৰিবলৈ ঠিক কৰিলে তেতিয়া সকলোৰে চিন্তা হ'ল। কিয়নো প্ৰত্যেক দিনেই নতুন নতুন গাৱঁত থাকিব লগাত পৰিছিল। তদুপৰি গাৱঁৰ অসংখ্য ঘৰ জুই লগাই পুৰি পেলোৱা হৈছিল। তাৰ জল-বায়ুও যথেষ্ট সেমেকা আছিল। বৰষুণ হলেও মুষলধাৰে হৈছিল। এনেকুৱা অৱস্থাত গছৰ তলত কেনেকৈ থকা যায়? বাপু ক'ত থাকিব? ইয়াকেই সকলোৱে ভাবিবলৈ ধৰিলে। এই বিষয় বন্দবস্ত কৰাৰ ভাৰ সতীশবাবুৰ ওপৰত আছিল। সেইবাবে তেওঁৰ বিশেষ চিন্তা হৈছিল। কিন্তু তেওঁ ভাবি-চিন্তি তৎক্ষণাৎ জপাব পৰা পঁজা (folding hut) এটা তৈয়াৰ কৰিলে। তাত দুৱাৰ-খিৰিকী, মই আৰু বাপু শুবৰ

কাৰণে দুখন সাধাৰণ চাংপিৰা ; মাটিত পাৰিবলৈ ঘাঁহ আৰু ঢাৰি (চটাই) আদিৰ ব্যৱস্থা আছিল। ঘাঁহ আৰু ঢাৰি থকাৰ পৰা মাটি ওখ চাপৰ হলেও কোনো প্ৰকাৰৰ কষ্ট পোৱা নগৈছিল। ইয়াতে গা ধুবৰ কাৰণে পিচ পিনে এটা কোঠালীও আছিল। তেওঁ এনেকুৱা কলাপূৰ্ণ বস্তু এটা তৈয়াৰ কৰিছিল। বাপুৱে মাত্ৰ এইখিনি জানিছিল যে সতীশ বাবুৱে এটা পঁজা সাজিবলৈ ধৰিছে। কিন্তু তেওঁ এনেকুৱা হব বুলি ভবা নাছিল। ইয়াকেই তেওঁ পিচত 'প্ৰাসাদ কুটীৰ' বুলি কব।

এনেয়ে বাপু শ্ৰীৰামপুৰত আছিল। কিন্তু চণ্ডীপুৰৰ পৰা তেওঁৰ যাত্ৰা আৰম্ভ হৈছিল। চণ্ডীপুৰ শ্ৰীৰামপুৰৰ পৰা দুমাইল আঁতৰত। ইয়াৰ কাৰণ এয়ে আছিল যে যিখন গাৱঁত বেছি লোকচান হৈছিল সেই গাওঁখন চণ্ডীপুৰৰ কিছু ওচৰত আছিল। শ্ৰীৰামপুৰৰ পৰা যাত্ৰা কৰিলে বাপুই দৈনিক সাত-আঠ মাইল খোজ কাঢ়িব লগাত পৰে। তেওঁৰ যথেষ্ট পৰিশ্ৰম হয় কাৰণেই চণ্ডীপুৰত এৰাতি থাকি আমি আগ বাঢ়িছিলোঁ। চণ্ডীপুৰতো অলপ লোকচান হৈছিল।

বাপুৰ নোৱাখালীৰ আচল যাত্ৰা চণ্ডীপুৰৰ পৰাই আৰম্ভ হৈছিল। সিদিনাখন যাত্ৰাৰ আগতে কেইবা গৰাকী মহিলাই বাপুৰ কপালত তিলক লগাইছিল আৰু সকলোৱে প্ৰাৰ্থনা কৰিছিল। সিদিনাখন বাপুৱে 'বৈষ্ণৱ জন তো তেনে কহিয়ে' ভজনটো গাবলৈ প্ৰথমতেই কৈ থৈছিল। (এই ভজনটো কোনো বিশেষ উপলক্ষত হে গোৱা হৈছিল ; সদায়

নহয়।) তেওঁ আকৌ কৈছিল যে গানটোৰ প্ৰত্যেক শাৰীতে ক্ৰমান্বয়ে বৈষ্ণৱ জন'ৰ ঠাইত এবাৰ 'মুচলিম জন', এবাৰ 'সৃষ্টি জন', এবাৰ শিখ জন, পাৰছী জন, হৰিনা জন (হৰিৰ জন) আদি ৰাখিব লাগে। তেওঁ নিজেও গানৰ সুৰৰ লগত সুৰ মিলাইছিল।

চণ্ডীপুৰৰ পৰা বাপুই চেণ্ডেল পিন্ধিবলৈ এৰিলে। ইয়াৰ কাৰণ দেখুৱাই তেওঁ কৈছিল, "আমি যেতিয়া মন্দিৰ, মচজিদ নাইবা গীৰ্জ্জালৈ যাওঁ, তেতিয়া জুতা সোলোকাই যাওঁ। অৰ্থাৎ পবিত্ৰ ঠাইত আমি জুতা নিপিন্ধো। মইতো দৰিদ্ৰ নাৰায়ণৰ ওচৰলৈ আহিছোঁ—য'ত ইষ্ট কুটুম্বৰ নাশ হৈছে; য'ত মাকৰ কোলাৰ সন্তানক বধ কৰা হৈছে, য'ত মানুহৰ লাজ ৰক্ষা কৰিবলৈ এটুকুৰা কাপোৰ নাই, তেনেকুৱা ঠাইলৈ মই যাব লাগে। এনেকুৱা মানুহৰ লগত মই মিলিব লাগে। মোৰ কাৰণে এইটো পৱিত্ৰ যাত্ৰা। ইয়াত মই চেণ্ডেল কেনেকৈ পিন্ধো?" মাখন উলিয়াবৰ সময়ত গাখীৰক যেনেদৰে মথা হয়, এই শব্দ কেইটা মুখৰ পৰা ওলাওঁতেও বাপুৰ হৃদয়খন তেনেদৰে মথিত হৈছিল। তেওঁৰ এই কৰুণ স্বৰ আজিও মোৰ কাণত বাজি আছে।

বাপুৰ ভৰিৰ তলুৱাখন আমাৰ হাতৰ তলুৱাতকৈও কোমল আছিল। তেওঁক কাঁইটে বিন্ধিছিল আৰু কৰো ফুটিছিল।

চণ্ডীপুৰৰ পৰা ৰাতিপুৱা ঠিক ৭-৩০ বজাত এখন হাত মোৰ কান্ধত থৈ আৰু আন খনেৰে লাঠী লৈ নাৰিকল আৰু

তামোলৰ গছৰ মাজে মাজে ঠাকুৰৰ 'একলা চলো' গীত গাই বাপুৱে যাত্ৰা আৰম্ভ কৰিছিল !

যদি তোৰ ডাক শুনে কেও না আসে
তবে একলা চলো ৰে,
একলা চলো, একলা চলো,
একলা চলোৰে ! যদি···
যদি কেও কথা না কয়,
ওৰে ওৰে ও অভাগা,
কেও কথা না কয়,
যদি সবাই থাকে মুখ ফিৰায়ে,
সবাই কৰে ভয়,
তবে পৰাণ খুলে,
ও তুই মুখ ফুটে তোৰ মনেৰ কথা
একলা বলো ৰে ! যদি···
যদি সবায় ফিৰে যায়,
ওৰে ওৰে ও অভাগা,
সবাই ফিৰে যায় !
যদি গহন পথে যাবাৰ কালে
কেও ফিৰে না চায় ;
তবে পথেৰ কাঁটা,
ও তুই ৰক্ত মাখা চৰণ তলে
একলা চলো ৰে !···

যদি আলো না ধৰে,
ওৰে ওৰে ও অভাগা
আলো না ধৰে ;
যদি ঝড়-বাদলে আঁধাৰ ৰাতে
দুৱাৰ দেয় ঘৰে ;
তবে বজ্রানলে,
আপন বুকেৰ পাঁজৰ জ্বালিয়ে নিয়ে
একলা চলো ৰে ! যদি···

নিতৌ যাত্ৰা আৰম্ভ কৰাৰ আগতে আমি এই বঙালী গীতটো গাইছিলোঁ। বাটতো এটাৰ পিচত এটা ভজন আৰু ৰামধুন গাই গৈছিলোঁ। বাটৰ কাষত য'ত য'ত হত্যাকাণ্ড হৈছিল বা য'ত য'ত হাড়-মূৰ পৰি আছিল নাইবা আধা পোৰা ঘৰ আছিল, সেই সকলোবোৰ চাবলৈ বাপু গৈছিল। সেইবোৰ দেখি তেওঁৰ হিয়া বিদীৰ্ণ হৈছিল। সেই সময়ত ভজন শুনিয়েই তেওঁ শান্তি পাইছিল।

৭-৩০ বজাত ওলাই ৯-৩০ বজাত আমি মাসীমপুৰ পালোঁগৈ। সেই ঠাইত আটাইতকৈ বেছি লোকচান হৈছিল। সিদিনাখন ১৯৪৭ চনৰ জানুৱাৰীৰ ৭ তাৰিখ। তাত বাপু থকাৰ উপযুক্ত এখনো ঠাই নাছিল। সেই কাৰণে সতীশ বাবুই দিয়া জপাৰ পৰা ঘৰটো থিয় কৰা হল। বাপুই তাৰ ভিতৰ সোমাই সকলোবোৰ বস্তু তন্ন তন্নকৈ চালে আৰু গাদীৰ ওপৰত বহি ভৰি নচুৱাই নচুৱাই মোক কবলৈ

ধৰিলে—"চোৱা সতীশ বাবুৱে মোৰ প্ৰাসাদটোৰ কাৰণে কিমান পৰিশ্ৰম কৰিছে! তদুপৰি ইয়াক যিসকলে বৈ লৈ যাব সিহঁতৰো যাতে অলপো কষ্ট নহয় তাৰ কাৰণে ইয়াক সৰু সৰু কেইবা খণ্ডত বিভক্ত কৰা হৈছে। সেই খণ্ডবোৰ এটা সৰু লৰায়ো কঢ়িয়াব পাৰে। তেওঁ মোৰ প্ৰতি কিমান মৰম দেখুৱাইছে কিন্তু মই অকলে সেই মহান প্ৰেমৰ ভাগ কেনেকৈ লওঁ! সেই কাৰণে মই এই 'প্ৰাসাদ'টো আন ঠাইলৈ নিনিম বুলি ঠিক কৰিছোঁ। ইয়াতেই ইয়াৰে এটা সৰু ডাক্তৰখানা পাতি দিম। নতুবা এনেকুৱা আন কোনো কামত ব্যৱহাৰ কৰিম। মইতো য'তে ত'তে যি কোনো ঠাইতে আৰামেৰে পৰি থাকিম। যদি ক'তো ঠাই নাপাওঁ তেনেহলে গছ-গছনিবোৰতো আছেই; সিহঁতেতো আমাক হাক দিয়া নাই। তাতেই আৰামেৰে পৰি থাকিম। ৰামে যেনেকৈ ৰাখে তেনেকৈ থাকিম। আমি সেই বিষয়ে কিয় চিন্তা কৰিব লাগিছে? গাৱঁলৈ যিসকল কৰ্ম্মী গৈছে তেওঁলোককো মই কৈছোঁ যে তেওঁলোক যিখন গাৱঁলৈ যায় সেইখন গাৱঁৰ মানুহে নিজৰ ইষ্ট-কুটুম্বৰ ভৰণ-পোষণ কৰাৰ নিচিনা তেওঁলোকৰো ভৰণ-পোষণ কৰা উচিত। কৰ্ম্মীসকল তেওঁলোকৰ ইষ্ট-কুটুম্বৰ নিচিনা হৈ যাব লাগে। 'আমিও মানুহ আৰু আমি তোমালোকৰ সেৱা কৰিবলৈ আহিছোঁ। সেই কাৰণে আমি তোমালোকৰ উপকাৰ কৰিব ধৰিছোঁ;' এনেকুৱা ভাবিলে নচলিব। তেওঁলোকৰ অসুখ হলেও

তেওঁলোকে সেই গাৱঁৰ বেজ কবিৰাজ আদিৰ দ্বাৰাই চিকিৎসা কৰাব লাগে। যদি কাকো নাপায় তেনেহলে প্ৰকৃতিৰ পঞ্চ মহাভূতৰ পৰা যি পায় তাতেই সন্তুষ্ট থাকিব লাগে। মই নিজৰ কাৰণেও এই নিয়মকেই ৰাখিছোঁ।”

পিচ দিনাখন বাপুই সেই পঁজাটো লগত নিবলৈ নিদিলে। আমি যিখন গাৱঁলৈয়ে গৈছিলোঁ সেই গাৱঁৰ যি কোনো পঁজাতেই থাকিছিলোঁ। ইয়াৰ পৰা এয়ে লাভ হৈছিল যে আমি হিন্দু, মুছলমান, কুমাৰ, তাঁতী, হৰিজন, খেতিয়ক, ব্ৰাহ্মণ, বণিয়া, সোণাৰী আদি সকলো জাতিৰ মানুহৰ ঘৰতে থাকিবলৈ সুবিধা পাইছিলোঁ। তাৰ ভিতৰত নোৱাখালীৰ হত্যাকাণ্ডত ভাগ লোৱা মানুহকো আমি পাইছিলোঁ। ইয়াৰ পৰা মানুহৰ হৃদয়ৰ পৰিবৰ্ত্তন হ’ল। তেওঁলোকে বাপুক নিজৰ ঘৰত ৰাখিবলৈ পালে ইহ সংসাৰৰ সকলো পাপৰ প্ৰায়শ্চিত্ত হোৱা যেন ভাবিবলৈ ধৰিলে। এইদৰে সকলোৱে নিজৰ নিজৰ ঘৰ আৰু নিজকেই পৱিত্ৰ জ্ঞান কৰিবলৈ ধৰিলে। ইমান দুখ কষ্টৰ মাজেৰে দিন নিয়াব লগা হোৱা সত্ত্বেও এই মানুহবোৰৰ সৈতে ওতঃপ্ৰোত ভাবে মিলি-জুলি থাকিবলৈ পাই বাপুই নিজকে ধন্য বুলি মানিছিল। ইমান কষ্টৰ মাজতো তেওঁৰ মুখত আনন্দৰ ৰেখা বিৰিঙি উঠিছিল।

বহুত মানুহে কৈছিল যে যদিও নোৱাখালীৰ হত্যাকাণ্ড হ’ল; তথাপি বাপুৰ চৰণৰ পৱিত্ৰ ধূলিয়ে আমাৰ দেশ পৱিত্ৰ কৰিলে।

ফুলৰ মালাৰে স্বাগত

এবাৰ দেবীপুৰ (নোৱাখালীৰ এখন গাওঁ) গাৱঁৰ মানুহ-বোৰে আৰু সেই গাৱঁৰ কৰ্ম্মীসকলে বাপুক সম্ভাষণ জনাবলৈ বৰ সাজ-সজ্জা কৰিছিল। তাত প্ৰায় ১৫০—২০০৲ খৰচ হৈছিল। (এই কথাটো আমি পিচতহে জানিব পাৰিলোঁ।) নিতৌ বাপু যিখন গাৱঁলৈ গৈছিল সেই গাৱঁৰ তিৰোতাবোৰে আহি বাপুৰ কপালত ফোট লগাই স্বাগত কৰিছিল আৰু বৰ বেছি নাৰিকলৰ পাতেৰে বেলেগ বেলেগ ধৰণে গাওঁবোৰ সজাইছিল। ইয়াত বাপুৰ অলপো আপত্তি নাছিল। কিয়নো তাত পইচা খৰচ নহয়, কেৱল পৰিশ্ৰম কৰিব লাগে। নিজে পৰিশ্ৰম কৰি যি কোনো কাম কৰিলেও বাপুই তাত বাধা নিদিছিল।

কিন্তু দেবীপুৰৰ মানুহবোৰেতো বিশেষ ৰূপে চাঁদপুৰৰ পৰা ফুলৰ মালা, ৰেশমৰ ফিটা, সেউজীয়া, নীলা, ৰঙা ৰঙৰ কাগজ আদি কিনি আনিছিল আৰু সেইবোৰেৰে গাওঁ সজাইছিল। ইয়াৰ বাহিৰেও ঘিউ আৰু তেলৰ চাকি জ্বলোৱা হৈছিল।

এই সকলোবোৰ সাজ-সজ্জা দেখি বাপু অলপ সময়ৰ কাৰণে গম্ভীৰ হৈ গ'ল। পিচত—সেই গাৱঁৰ স্থায়ী কৰ্ম্মী কোন ? তাত কিমান মানুহ বাস কৰে ?—আদি খবৰ লবলৈ কলে। এই সকলোবোৰ খবৰ লৈ মই বাপুক কলোঁ যে এই গাওঁখনত ৩০০ জন হিন্দু আৰু ১৫০ জন মুছলমান বাস কৰে। হিন্দুৰ ভিতৰত ব্ৰাহ্মণ, কায়স্থ আৰু শূদ্ৰ আছে।

বাপুই তাৰ প্ৰধান কৰ্ম্মী জনক মতাই আনি দুখেৰে তেওঁৰ ভুলটো বুজাই দি সুধিলে—“এই সাজ-সজ্জাৰ কাৰণে তুমি পইচা ক’ত পালা ?”...তেওঁ কলে—“আমাৰ গাৱঁত বাৰে বাৰে আপোনাৰ পদধূলি নপৰে। সেই কাৰণে আমি হিন্দু সকলৰ পৰা গাইপতি আঠ অনাকৈ তুলিলোঁ। যি সকলে দিব পাৰে তেওঁলোকে বেছিও দিছে। এইদৰে প্ৰায় ৩০০৲ টকা গোটাই এই বস্তুবোৰ কিনি আনিছোঁ।”

ইয়াকে শুনি বাপুৰ আকৌ বেছি বেয়া লাগিল। তেওঁ কলে, “তোমালোকৰ এই সাজ-সজ্জা এক মুহূৰ্ত্তৰ ভিতৰত মৰহি যাব। মই ইয়াকে ভাবোঁ যে ইয়াৰ দ্বাৰাই তোমালোকে মোক ঠগাব ধৰিছা। আৰু মোৰ সাহসতে এইবোৰ সজাই কাজিয়া আকৌ বঢ়াব খুজিছা। এই সময়ত মোক যে জুয়ে চাৰিওপিনে বেৰি আছে তাক তোমালোকে নাজানা নে ? যিমানবোৰ ফুলৰ মালা পিন্ধাইছা সিমানবোৰ সূতাৰ যদি পিন্ধালাহেঁতেন তেনেহলে মই ইমান দুখ নাপালোহেঁতেন। কিয়নো সূতাৰ মালাৰ পৰা সাজ-সজ্জাও হয় আৰু পিচত বোৱা কামতো আহে। সেইবোৰ এনেই নষ্ট হৈ নাযায়। মই এই গাৱঁৰ মানুহবোৰ বৰ ধনী যেন ভাবোঁ। নহলেনো এনে সঙ্কট সময়ত এনেকুৱাকৈ গেট সজোৱা, মালা আঁৰি দিয়া কাম কৰা কথা মনত খেলায়নে ? যদি মোৰ প্ৰতি মৰম দেখুৱাবলৈ এনে কৰিছা তেনেহলে ভুল কৰিছা। ইয়াৰ দ্বাৰাই অলপো মৰম প্ৰকাশ নাপায়। যদি তোমালোকে

মোক ভাল পোৱা তেনেহলে মই যি কওঁ তাকে কৰা। সেয়েই যথেষ্ট হব। ইমান ডাঙৰ হত্যাকাণ্ডৰ পিচত ইমান টকাপইচা এনেই খৰচ কৰা কথা তোমালোকৰ মনত কেনেকৈ খেলাইছে মই ভাবিবই নোৱাৰোঁ। তদুপৰি তুমি কংগ্ৰেছৰ এজন নামজ্বলা কৰ্ম্মী। তুমি মোৰ কিতাপবোৰ পঢ়া বুলিও কোৱা। এম্. এ. লৈকে পঢ়িছা। জেললৈও গৈছা। অকণমান খদ্দৰৰ ধুতি খনো পিন্ধা। কিন্তু এইবোৰ সজাবৰ কাৰণে বিলাতী ৰেশম আদি কেনেকৈ আনিলা? মই ইয়াকেই কব খোজোঁ যে মোৰ দৃষ্টিৰে এই সকলোবোৰ দুখদায়ক। তোমাৰ পৰাই মোৰ সকলো কৰ্ম্মীৰ বিষয়ে ধাৰণা হৈছে যে যি সকলে এদিন দেশসেৱক বুলি চিনাকি দিছিল, কোনো পদৰ অধিকাৰী হৈ তেওঁলোকৰতো এনেদৰে ফুলৰ মালা পিন্ধা আৰু পিন্ধোৱাৰ লালসাত অৱনতি নহয়!

"যদি কোনোবাই মোৰ যি কোনো কৰ্ম্মীৰেই পৰীক্ষা লয় তেনেহলে তেওঁ নিখুঁট বুলি প্ৰমাণিত হব। তেওঁৰ যিমানেই মটৰ নাথাকক বা বঙলা নাথাকক, তেওঁ নিজৰ ধ্যায়ৰ পৰা বিচলিত নহব"—এই বুলি মই আজিও বুকুত চপৰিয়াই কব নোৱাৰোঁ! ভাল কথা। আজিৰ ঘটনাৰ পৰা মোৰ চকু ফুকাল! মই সাবধান হলোঁ। এই বিষয়ে মই আপোনা-লোকক দোষ দিব নোৱাৰোঁ। আপোনালোকতো যেনে আছিল তেনে ভাবেই প্ৰকাশ পাইছে। ইয়াত কোনে কি কৰিব? কিন্তু ইয়াৰ পৰা মই ক'ত আছোঁ ঈশ্বৰে তাকেই

মোক দেখুৱাইছে। আৰু কিমানবোৰ যে দেখিবলৈ বাকী আছে মই ক'ব নোৱাৰোঁ।”

ইয়াৰ পৰা যে বাপুই অন্তৰত দুখ পাব এই বিষয়ে বেচেৰা কৰ্ম্মী সকলে ভবাই নাছিল। তেওঁলোক ঘৰৰ ল'ৰা ঘৰলৈ উলটি গ'ল আৰু আধাঘণ্টাৰ ভিতৰতে সকলোবোৰ সাজসজ্জা গুচাই পেলালে। যিবিলাক বস্তু কামত খটাব পৰা আছিল সেইবোৰৰ বাপুই এটা বাণ্ডিল বান্ধিবলৈ আদেশ দিলে। বাণ্ডিলটো যথেষ্ট ডাঙৰ হৈছিল। তাত প্ৰায় ১৫-২০ বিল সূতা আছিল। বাপুই এইখিনি নকলে সূতা খিনি এনেই নষ্ট হৈ গ'লহেঁতেন। ইয়াৰ পিচৰ গাওঁবোৰত সদায় হাতে কটা সূতাৰ মালাৰে বাপুৰ স্বাগত কৰা হৈছিল। এইদৰে প্ৰায় পাঁচ থান কাপোৰৰ সূতা গোট খাইছিল। তাৰ পৰা কাপোৰ বই দুখীয়াক বিলাই দিয়া হৈছিল। এনেভাবে বাপু দুখীয়াসকলৰ বন্ধু আছিল।

কলিকতাৰ আশ্চৰ্য্য

সুদীৰ্ঘকাল পৰাধীনতাৰ পিচত ১৯৪৭ চনত স্বাধীনতা দিবস অহাৰ সময়ত আমি পূজ্য বাপুজীৰ সৈতে কলিকতাত আছিলোঁ।

১৫ আগষ্টৰ দিনাখন পুনৰ হত্যাকাণ্ড আৰম্ভ হব বুলি

নোৱাখালীৰ হিন্দুবোৰে ভয় কৰিছিল। সেই কাৰণে নোৱাখালীলৈ যাবলৈ বাপু কাশ্মীৰৰ পৰা কলিকতা পালেগৈ।

তেতিয়া কলিকতাত হিন্দু-মুছলমানৰ কাজিয়া চলি আছিল। সেই কাৰণে সেই সময়ৰ বঙ্গদেশৰ প্ৰধানমন্ত্ৰী প্ৰফুল্লচন্দ্ৰ ঘোষে বাপুক দুদিনৰ কাৰণে থাকিবলৈ অনুৰোধ জনাইছিল। বাপুই সন্মতি দিলে। কাজিয়াতো বাঢ়িয়েই গৈছিল। তথাপি বাপুই ১৫ তাৰিখে নোৱাখালীত উপস্থিত হবলৈ ঠিক কৰিলে। আমি সকলো ওলালোঁ। এনেতে ছুৰাবৰ্দী চাহাব আহি ওলালে। তেওঁ কলে—"ইয়াত যি কুৰা জুই জ্বলিব ধৰিছে তাক আপোনাৰ বাহিৰে আন কোনোৱে নুমাব নোৱাৰে। ইয়াক নুমুৱাৰ পিচতহে আপুনি নোৱাখালীলৈ গলে ভাল হয়।" বাপুই কলে—"মই অকলে কেনেকৈ নুমাব পাৰোঁ? অৱশ্যে মই আপোনাৰ মন্ত্ৰীত্ব কৰিব পাৰোঁ। কিন্তু মইতো নোৱাখালীলৈ যাম বুলি কথা দিছোঁ। গতিকে মই তালৈ যাব লাগে। যদি আপুনি নোৱাখালীৰ দায়িত্বটো লব পাৰে তেনেহলে মই ইয়াত থাকি ইয়াৰ জুই নুমাবলৈ যথাশক্তি চেষ্টা কৰিবলৈ সাজু আছোঁ। কিন্তু মোৰ এটা চৰ্ত্ত মানিব লাগিব। আপুনি মোৰ লগত থাকিব লাগিব আৰু ফকীৰ হব লাগিব।"

ছুৰাবৰ্দী চাহাবে অলপ সময় ভাবি-চিন্তি কলে—"মই তালৈ মানুহ পঠাওঁ আৰু যথাশক্তি চেষ্টা কৰোঁ।"

বাপুই তৎক্ষণাৎ উত্তৰ দিলে—"যথাশক্তি চেষ্টাৰ দ্বাৰা

কাম নহব। বিহাৰৰ মানুহবোৰে যেনেকৈ কথা দিছে যে তাত যদি কোনো প্ৰকাৰৰ গোলমাল হয় তেনেহলে তাৰ কাৰণে মোৰ উপবাস কৰিবলৈ অধিকাৰ থাকিব ; তেনেদৰে নোৱাখালীতো যদি কোনো প্ৰকাৰৰ গোলমাল হয় তেনেহলে তাৰ কাৰণে মোৰ উপবাস কৰাৰ অধিকাৰ থাকিব। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আপুনি উত্তৰ দিয়ক।” ১৩ আগষ্টৰ দিনাখন এইবোৰ আলোচনা হৈছিল।

বাপুৰ কাৰ্য্য-প্ৰণালী কেনেকুৱা ? নোৱাখালীত আজিলৈকে যিখিনি গোলমাল হৈছে আৰু ভৱিষ্যতে যি হব তাৰ কৈফিয়ৎ নোৱাখালীৰ মানুহে দিব লাগিব। এই কথাষাৰ শুনি ছুৰাবৰ্দীৰ অলপ চিন্তা হ'ল। কিন্তু নোৱাখালীৰ দায়িত্ব লোৱা তেওঁৰ কাৰণে একো টান কাম নহয়। কিয়নো নোৱাখালীৰ যিবিলাক মানুহৰ ওপৰত দোষ দিয়া হৈছিল সেই সকলোবোৰে তেওঁৰ কথা মানিছিল। কিন্তু নিজৰ কাম বাপুৱে কেনে ধৰণে সাধন কৰিছিল ! যি জনে দোষ কৰে তেওঁকেই সংৰক্ষণৰ ভাৰ দিয়া হওক। যদি কোনোবা চাকৰে ঘৰৰ বস্তু অলপ অলপকৈ চুৰ কৰে তেনেহলে বাপুৱে তাৰ ওপৰত গোটেই ঘৰৰ দায়িত্ব দি কয়—“এতিয়া তয়ে চন্ডাল।” এনে উপায়েৰে আমাৰ দেশ ইমান ওপৰলৈ উঠিছে।

পিচ দিনাখন চহীদ চাহাব আৰু তেওঁৰ বন্ধু-বান্ধৱসকলে আহি কলে, আৰু সকলোৱে স্বীকাৰ কৰিলে যে “নোৱাখালীত পূৰ্ণ শান্তি স্থাপনৰ ভাৰ আমাৰ ওপৰত।

ভবিষ্যতেও যাতে কোনো ৰকমৰ গোলমাল নহয় তাৰ কাৰণেও আমি চকু ৰাখিম। কিন্তু আপুনি ইয়াতেই থাকক।” বেচ, কলিকতাত বহোঁতেই বাপুৰ নোৱাখালীৰ কাম হৈ গ'ল। মুছলমান ভাইসকল সকলো নোৱাখালীলৈ গ'ল। তেওঁলোকে তাৰ হিন্দু ভাইসকলক আশ্বাস দিলে যে আৰু ভয় কৰিব নালাগে। লগতে নিজে সম্পূৰ্ণৰূপে সহায় কৰিবলৈ স্বীকৃতি দিলে। ইপিনে ছুৰাবৰ্দী চাহাবে বাপুৰ লগত থাকিবলৈ স্বীকাৰ কৰিলে। আনকি তেওঁৰ খোৱা-লোৱা, উঠা-বহা, সকলোবোৰ বাপুৰ লগতেই হবলৈ ধৰিলে। তেওঁলোকে ব্যক্তিগত হিচাবে কাৰো লগত দেখা সাক্ষাৎ নকৰিবলৈ আৰু বাতৰি কাকতজো একেলগে বিবৃতি দিবলৈও ঠিক কৰিলে। চৈধ্য আগষ্টৰ দিনাখন আমি হৈদৰী প্ৰাসাদলৈ গলোঁ। এই এলেকাটোলৈ মুছলমান ভাইসকল আহিব নোৱাৰিছিল।

ঘৰটো বৰ লেতেৰা আছিল। নোৱাখালী ভ্ৰমণৰ সময়তো ইমানখিনি অসুবিধা হোৱা নাছিল। এটা মাত্ৰ কোঠা। তদুপৰি বাপুক চাবলৈ অসংখ্য মানুহৰ সমাগম। এক মিনিটো বাপুই শান্তি পোৱা নাছিল। যিদিনাখন তালৈ গৈছিলোঁ, সেইদিনাখন বহুতো হিন্দু যুবকে বাপুৰ ওপৰত খং কৰি কৈছিল—“আপুনি হিন্দুসকলৰ শত্ৰু। তিনি চাৰি দিনৰ ভিতৰত দুই চাৰিজন মুছলমান মৰিল আৰু আপুনি ইয়াত আহি বহিলহি। ইয়াৰ আগতে ক'ত আছিল?”

বাপুই হাঁহি মাৰি সকলোকে শান্ত কৰি কলে, "তোমা-লোক সকলোৱে যুবক। কিন্তু মোৰ মানত তোমালোক একোজন সৰু লৰা। ইয়াত তোমালোক যি কেইজন বহিছা তাৰ ভিতৰত মোৰ সৰু ল'ৰা দেৱদাসো তোমা-লোকতকৈ ডাঙৰ। মই যে জন্মৰ ফালৰ পৰাও হিন্দু আৰু কৰ্ম্মৰ ফালৰ পৰাও হিন্দু এই কথাটো তোমালোকে কিয় নুবুজা? এনেস্থলত মই হিন্দুসকলৰ শত্রু হব পাৰোঁনে? নোৱাখালীলৈ কোন গৈছিল? আৰু আজিও যাবলৈ ওলাইছিলোঁ? কিন্তু মোক তোমালোকৰ সহায়ৰ আৱশ্যক। মই অকলে একো কৰিব নোৱাৰোঁ। ৰক্ষক হলেও তোমা-লোকেই হবা, ভক্ষক হলেও তোমালোকেই হবা। যদি তোমালোক ৰক্ষক হোৱা তেনেহলে মই ৰং পাম। মই এতিয়া বুঢ়া হৈছোঁ। মই জীৱাই থকাৰ আৱশ্যক নাই। বহুতো সেৱা কৰিলোঁ। ইয়ালৈ এই কাৰণে আহিলোঁ যে যদি বুজাব পাৰোঁ তেনেহলে তোমালোকক বুজাওঁ। মোৰ কাৰণে সকলো ধৰ্ম্ম সমান। চোৱা, নোৱাখালীৰ চিৰ শান্তিৰ কাৰণে মই ইয়াত বহিয়েই সকলো ব্যৱস্থা নকৰিলোঁ নে?" ইয়াকে কৈ চহীদ চাহাবৰ লগত হোৱা কথাবোৰ কলে।

'ৰক্ষক হলেও তোমালোক, ভক্ষক হলেও তোমালোক', এই কথাষাৰৰ দ্বাৰা বাপুৱে ভবিষ্যৎ বাণী কৰিছিল নেকি? সঁচাকৈয়ে হিন্দুই তেওঁৰ ভক্ষক হ'ল।

ডেকাদলৰ সকলো শান্ত হৈ গ'ল। পিচত এওঁলোকেই

গৈ চহৰত শান্তিৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলে। স্বাধীনতা পোৱাৰ আধা ঘণ্টা আগতেই অৰ্থাৎ ৰাতি ১১।৩০ বজাতেই — যি কলিকতাত হিন্দুই মুছলমানক আৰু মুছলমানে হিন্দুক দেখিব নোৱাৰিছিল, সেই কলিকতাতেই 'হিন্দু-মুছলিম ভাই-ভাই, হিন্দু-মুছলিম এক হোঁ' ধ্বনিৰে আকাশ মুখৰিত হৈ উঠিছিল। হিন্দু আৰু মুছলমানে কান্ধত কান্ধ মিলাই বাপুক দৰ্শন কৰিবলৈ আহিবলৈ ধৰিলে।

গোটেই ৰাতি এই অৱস্থা। গোটেই ৰাতি বাপু শুবলৈ নেপালে। কিয়নো অকল হিন্দু আৰু মুছলমান ভাই সকলেই নহয়, ভনীসকলেও, আনকি সৰু সৰু লৰা-ছোৱালীবোৰেও কান্ধত কান্ধ মিলাই আহিছিল; আৰু ভাৰতক দাসত্ব শিকলিৰ পৰা মুক্ত কৰোঁতা ৰাষ্ট্ৰপিতাক দৰ্শন কৰি—"আমাৰ অপৰাধ ক্ষমা কৰক। আমি পুনৰাই কেতিয়াও এনে নকৰোঁ" বুলি সকলোৱে প্ৰাৰ্থনা জনাইছিল। কেনেকুৱা সুন্দৰ দৃশ্য! গোটেই চহৰতে বিজুলী বাতি জ্বলিছিল। শোভাযাত্ৰা হৈছিল। কিন্তু বাপুৰে আধা-ঘণ্টাৰ ভিতৰতে স্থাপন কৰা স্থায়ী একতাৰ পোহৰত সেই সকলোবোৰ নিষ্প্ৰভ যেন লাগিছিল। তাৰ পিচত নোৱা-খালীৰ স্থায়ী শান্তি ভঙ্গ হৈছে বুলি কবপৰা গুৰুতৰ ঘটনা আজিলৈকে হোৱা নাই। এপিনৰ পৰা চাবলৈ হলে; তাত শান্তি বিৰাজ কৰি আছে। এনেয়েতো কৰ্ম্মীসকল আগেও আছিল আৰু এতিয়াও আছে।

১৫ আগষ্টৰ দিনাখন বাপুৱে আমাক উপবাস কৰিবলৈ কৈছিল। মই সুধিলোঁ—"বাপুজী আজিতো আপুনি মিঠাই খুৱাব লাগে নহয়?" বাপুই কবলৈ ধৰিলে—"তুমি বোধকৰোঁ জানা যে জন্ম, বিবাহ আৰু মৃত্যু উপলক্ষে মই উপবাসেই কৰাওঁ। শুভদিন বোৰতো মই সদায় উপবাস কৰাওঁ। আজিৰ পৰা আমাৰ দায়িত্ব কিমান বাঢ়ি যাব ধৰিছে? যেনেকৈ একাদশীৰ দিনাখন উপবাস কৰিলে আমাৰ মন ভক্তিৰ পিনে ঢাল খায়, সেইদৰে আজিৰ উপবাসৰ পৰা আমাৰ দায়িত্ব কিমান আমি বুজিব পাৰিম। যঁতৰেই আমাৰ স্বাধীনতা আনিছে। তাক আজি আমি কেনেকৈ পাহৰোঁ? আৰু মৌন থকাৰ উদ্দেশ্যই হৈছে আমি যাতে ঈশ্বৰক প্ৰাৰ্থনা জনাব পাৰোঁ—'হে ভগবান! আজিৰ পৰা তুমি আমাক এনে শক্তি দিয়া যাতে আমি নিজৰ দায়িত্ব-জ্ঞান কেতিয়াও নাপাহৰোঁ আৰু অধিকাৰ পোৱাৰ পিচত আমি যেন বিলাসত নপৰোঁ।' সেইদৰে আমাৰ মনত কোনো প্ৰকাৰৰ অহং ভাব উপজিব নালাগে। আজিৰ পৰা আমি সকলোৱে আৰু বেছি নম্ৰ হোৱা উচিত।"

সেই সময়ত বাপুৰ চেহেৰা গম্ভীৰ হৈ উঠিছিল। তেওঁ আধা ঘণ্টাৰ ভিতৰতে বিষয়ৰ পৰিস্থিতিক অমৃতময় কৰি তুলিছিল। তথাপি তেওঁ যেন কিবা কৰিছে তাৰ অলপো চিন তেওঁৰ মুখত বিৰিঙি উঠা নাছিল। কোনোবাই তেওঁক অভিনন্দন জনালে তেওঁ কৈছিল—"মানুহে অকলে কি

কৰিব পাৰে? কিয় মোক ধন্যবাদ দিছে? আপোনালোক সকলোৱে মোক সহায় কৰা কাৰণেহে এইখিনি হৈ উঠিছে।”

সিদিনাখন বাপু আৰু আমি সকলোৱে উপবাস কৰিছিলোঁ আৰু সূতা কটা কাৰ্য্যক্রম ৰাখিছিলোঁ। বঙ্গদেশৰ সকলোবোৰ মন্ত্ৰীয়ে বাপুক প্ৰণাম কৰিবলৈ আহিছিল। তেওঁলোক সকলোকে বাপুই কৈছিল—“আজিৰ পৰা আপোনালোক সকলোৱে কাঁইটৰ মুকুট পিন্ধিলে। আজিলৈকে যেনে সৰল জীৱন যাপন কৰিছে আগলৈও তেনে সৰল হিচাবে থাকিব। অধিকাৰ বৰ বেয়া বস্তু। অলপো গৰ্ব্ব নকৰিব। ভোগ বিলাসত আবদ্ধ নহব। আপোনালোকে জনতাৰ আগত সৰলতা, নম্ৰতা, অহিংসা আৰু সহনশীলতাৰ আদৰ্শ দাঙি ধৰিব লাগিব। গাওঁবোৰৰ উদ্ধাৰ কৰিব লাগিব। সত্যক কেতিয়াও নেৰিব। আজিৰ পৰাই আপেনালোকৰ আচল পৰীক্ষা। এফালৰ পৰা ইংৰাজৰ ৰাজত্ব কালততো পৰীক্ষা নাছিলেই বুলিব পাৰি। আজিৰ পৰাতো মাথোন পৰীক্ষাই। ঈশ্বৰে যেন তাত আপোনালোকক সফল কৰে।”

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনাখন শুক্ৰবাৰ আছিল। এবছৰৰ পিচত আমাক এনে উপদেশ দিবলৈ বাপু আমাৰ মাজত কিয় নাথাকিল? তেওঁতো নিজৰ কাম পূৰা কৰি তেওঁৰ ভবিষ্যত-বাণী মতেই শুক্ৰবাৰে হিন্দুৰ ভক্ষ্য হৈ গল।

সিদিনাখন বাপুৱে কোৱা কথা স্মৰণ কৰি আমি এই পাপৰ প্ৰায়শ্চিত্ত কৰোঁহক। ঈশ্বৰে আমাক বাপুই দেখুৱা পথেৰে যাবলৈ শক্তি দিয়ক।

বাপুৰ জন্ম দিনবোৰ

মই জানি শুনিয়েই 'বাপুৰ জন্ম দিনবোৰ' শব্দটো বহু-বচনত ব্যৱহাৰ কৰিছোঁ। তাৰিখ হিচাবে বাপুৰ জন্ম দিন দুই অক্টোবৰৰ দিনাখন পৰে। আৰু তিথি হিচাবে ভাদৰ কৃষ্ণা দ্বাদশীৰ দিনাখন পৰে। ১৩৪৭ চনত তাৰিখ হিচাবে তেওঁৰ জন্ম দিন আগতেই পৰিছিল।

বাপু অবিহনে আজি সিদিনাখন চাৰিওপিনে অন্ধকাৰ যেন লাগে। যোৱা বছৰ ঠিক আজিৰ দিনতেই বাপুই ভবিষ্যৎ-বাণী কৰিছিল যে "অহা চৰখা দ্বাদশীৰ দিনাখন মই ইহসংসাৰত নাথাকিম নাইবা আজিৰ ভাৰতবৰ্ষ বদলি যাব।" কিন্তু বাপুৰ এই ভবিষ্যত-বাণী সফল হব বুলি কোনে জানিছিল ?

বিৰলা হাউছ

বৃহস্পতিবাৰ, ২-১০-৪৭

৩-৩০ বজাত আমি প্ৰাৰ্থনাৰ কাৰণে উঠিছিলোঁ। আমি উঠাৰ লগে লগে তাৰ ঘৰৰ বহুতো মানুহ প্ৰাৰ্থনাৰ কাৰণে

আহি পালে। আমি হাত-মুখ ধুই এটা এটাকৈ বাপুৰ ভৰিত ধৰি প্ৰণাম কৰিলোঁ। মই হাঁহি হাঁহি বাপুক কলোঁ—"এইটো কেনে ধৰণৰ ন্যায়! আমাৰ জন্ম তিথিৰ দিনাখন আমি আনৰ ভৰিত ধৰি প্ৰণাম কৰোঁ। তাৰ বিপৰীতে আপোনাৰ জন্ম তিথিৰ দিনাখন আমি আপোনাৰ ভৰিত ধৰি প্ৰণাম কৰিব লগাত পৰিছে।" বাপুই কলে—"হু, মহাত্মাসকলৰ কাৰণে সদায় নিয়ম ওলোটাই। তোমা-লোক সকলোৱে মোক মহাত্মা পাতি দিছা নহয়নে? তেনে-হলে মই মিছাকৈয়ে মহাত্মা কিয় হম? কিন্তু আমাৰ এইটো দস্তুৰ যে আমি 'মহাত্মা' শব্দ ব্যৱহাৰ কৰিলেই সকলো কাম শেষ হোৱা বুলি ভাবোঁ। তাৰ সত্যতা অসত্যতাৰ প্ৰতি লক্ষ্য কৰা আৱশ্যক বুলি বিবেচনা নকৰোঁ।"

সেই সময়ত বাপুৰ গা সিমান ভাল নাছিল। পানী লগা, জ্বৰ উঠা আদি এটা নহয় এটা বেমাৰ লাগিয়েই আছিল। এনেভাবে পানী লাগিছিল আৰু কাহিব লগাত পৰিছিল যে সঁচাকৈয়ে চাওঁতা সকলেও দুখ পাইছিল। তথাপি বাপুই প্ৰাৰ্থনাৰ পিচত শোৱা নাছিল। দৈনিক চিঠিপত্ৰ আৰু 'হৰিজন'ৰ কাৰণে প্ৰবন্ধ-পাতি লিখিবলৈ বহিছিল।

বাপুৰ কফৰ অসুখ সদায় এটা নিৰ্দ্ধাৰিত সময়লৈকে থাকিছিল। তিনি সপ্তাহ পুৰা নোহোৱাকৈ তেওঁ কফৰ পৰা নিবৃত্তি নাপাইছিল। সেই বাবে অসুখ কমিবৰ কাৰণে ডাক্তৰসকলে তেওঁক পেনিচিলিন লবলৈ উপদেশ দিছিল।

ইয়াক লৈও যথেষ্ট আলোচনা হৈছিল। বাপুৱে কৈছিল—“মোৰ অন্তৰত যদি ৰাম নাম সোমায়হি তেনেহলে ইয়াৰ ইমান শক্তি আছে যে কফ কাইলৈকে নাইকিয়া কৰি দিব পাৰে। আৰু যদি তিনি সপ্তাহলৈকে থাকে তেনেহলে মোৰ ৰাম নাম মিছা বুলি গোটেই জগতকে কবলৈ মই প্ৰস্তুত আছোঁ।” ডাক্তৰে কলে—“সেইটোতো ঠিক কথা। কিন্তু বিজ্ঞানৰ ইমানবোৰ অনুসন্ধানক আপুনি মিছা বুলি কেনেকৈ কব ? আপুনি যিমানেই সভক্তি অন্তৰে ৰাম নাম লোৱা মানুহ নানক মই তেওঁৰ শৰীৰত কলেৰাৰ বীজ বিয়পাই দিব পাৰোঁ।”

বাপুৱে উত্তৰ দিলে—“এইটো উদ্দণ্ডতা মাথোন। বিজ্ঞানৰ আজিও বহুত অনুসন্ধান কৰিবলৈ বাকী আছে। বৰ্ত্তমানতো ইয়াৰ আৰম্ভহে হৈছে। কিন্তু যদি শ্ৰদ্ধাৰে ৰাম নাম লোৱা হয়, তেনেহলে কোনো বেমাৰেই আহি আক্ৰমণ কৰিব নোৱাৰে। যদি সংসাৰৰ মানুহবোৰ ইমান পৱিত্ৰ আৰু নিষ্পাপী হৈ যায় তেনেহলে মোৰ বিশ্বাস যে কোনোৱে কোনো প্ৰকাৰ বেমাৰ ভূগিব নালাগিব। কাইলৈ যদি আপুনি মোক লিৱৰ খুৱাই নাইবা লিৱৰ এক্সট্ৰেক্টৰ ইনজেকশ্যন দিয়ে, তেনেহলে মই বিদেশী বস্তু ব্যৱহাৰ কৰিব লগাত পৰিব নেকি ? ভাৰতবৰ্ষ এখন বৰ এলেহুৱা দেশ। ইয়াৰ ভিতৰত বিশেষকৈ ডাক্তৰবোৰ বৰ বেছি এলেহুৱা। কিয়নো তেওঁলোকে নিজৰ দেশত একো তৈয়াৰ কৰিব নোৱাৰে। তেওঁলোকৰ বিদেশৰ তৈয়াৰী বস্তুৰ ওপৰতহে

বিশ্বাস। কিমান দুখৰ কথা! ভাৰততো দৰিদ্ৰ দেশ নহয়। ইয়াৰ প্ৰকৃতিয়েতো সকলো বস্তু দিছে। তথাপি আমি ভিক্ষা খুজিব লাগে। সঁচাকৈয়ে এইবোৰৰ বিষয়ে যেতিয়া ভাবোঁ, তেতিয়া মোৰ মনত বৰ দুখ লাগে। ভাৰতৰ ভাগ্য যেতিয়া উদয় হবলৈ আছে তেতিয়াহে হব। এতিয়াই একো কব নোৱাৰি। মইতো যথেষ্ট কৰিলোঁ। এতিয়া একো কৰিবলৈ ইচ্ছা নহয়। এতিয়া মই সংসাৰৰ পৰা বিদায় লবলৈহে ইচ্ছা কৰোঁ। আৰু সিও ৰাম ৰা···ম কৰি। ৰামৰ নামত কিমান ৰহস্য আছে তাক মই আপোনালোকক বুজাব নোৱাৰোঁ। মই ভালে কুশলে থকা নাই। বৰ্ত্তমান মই জুইৰ মাজত বহি আছোঁ। মোৰ চাৰিও পিনে জুই জ্বলি আছে। আপোনালোক ডাক্তৰসকলে যেনেকৈ বিজ্ঞানৰ অনুসন্ধান কৰে, সেইদৰে ময়ো ৰাম নামৰ অনুসন্ধান কৰিছোঁ। যদি নহয় তেনেহলে অনুসন্ধাম কৰিয়েই মৃত্যুক সাৱটি ধৰিম। আজি ২ অক্টোবৰৰ দিনাখন আপোনলোক সকলোৱে মোক নিমিত্ত মাত্ৰ প্ৰণাম জনাবলৈ আহিছে। আৰু মোক বুজাইছে যে এয়ে আপোনালোকৰ মোৰ প্ৰতি চেনেহৰ নিদৰ্শন। কিন্তু মই ইয়াকে বিচাৰোঁ যে অহা বৰ্ষা জয়ন্তীৰ দিনাখন যাতে এই জুই দেখিবলৈ মই ইহ-সংসাৰত নাথাকোঁ নাইবা আজিৰ ভাৰতবৰ্ষৰ সম্পূৰ্ণ পৰিবৰ্ত্তন হৈ যায়। সেই কাৰণে মোৰ দীৰ্ঘায়ু কামনা কৰি প্ৰাৰ্থনা কৰাতকৈ মই যেনে ধৰণে প্ৰাৰ্থনা কৰোঁ তেনে ধৰণে কৰক।”

১৯৪৭ চনৰ ২ অক্টোবৰৰ দিনাখন ৰাতিপুৱা ৫॥০ বজাত বাপুই এই কথাষাৰ কৈছিল।

আমি নতুন বছৰ পৰাৰ দিনাখন নাইবা কোনো শুভ-কাৰ্য্যৰ দিনাখন কোনো অশুভ চিন্তা কৰিব নালাগে নাইবা কাৰো ওপৰত খং কৰিব নালাগে, কান্দিব নালাগে আদি নিয়মবোৰ মানো। মোৰ ডায়ৰীত যেতিয়া বাপুৰ এই শব্দ কেইটা পঢ়োঁ তেতিয়া মোৰ ভাব হয় যে এই দৰে নিয়ম পালন কৰাতোত অলপ সত্যতা আছেই। ৰাম নামৰ অনু-সন্ধান কৰোঁতা বাপু ৰাম নামৰ অনুসন্ধান কৰিয়েই গুচি গ'ল।

সাত বজাত আমি বাপুৰ লগত ফুৰিবলৈ গৈছিলোঁ। আমি ফুৰি থকা সময়তে এজন ইংৰাজে বাপুৰ ফটো তুলিবলৈ চেষ্টা কৰিছিল। ইয়াকে দেখি বাপু ৰুষ্ট হ'ল। ফটো তোলোঁতা সকলে এনেই বাপুক দিগদাৰ দিছিল। সেই কাৰণে বাপু তেওঁলোকৰ ওপৰত ৰুষ্ট। বাপুই কবলৈ ধৰিলে—"বিশেষকৈ আজিতো ঈশ্বৰৰ নাম লব লাগে। তাৰ সলনি এনেকুৱা হবলৈ ধৰিছে!"

এনেতে কৃপালনীজী, সুচেতা বহন আদি বহুতো লোক প্ৰণাম কৰিবলৈ আহি পালেহি। আমি সকলোৱে উপবাস কৰিছিলোঁ। বাপুয়ো কৰিছিল। মই সুধিলোঁ—"বাপু, আপুনি কিয় উপবাস কৰে?" বাপুই কলে—"আজিৰ দিনা-খনেই চৰখাৰ জন্ম হোৱা বুলি কব পাৰি। ই পৰোপকাৰী দেৱ। আহাঁ, তেওঁৰ জন্মৰ দিনাখন উপবাস কৰি আৰু পবিত্ৰ

হৈ আমি বাৰে বাৰে প্ৰাৰ্থনা জনাওঁ—'হে চৰখা দেৱতা, তোমাতেই আমি শৰণ লৈছোঁ। আমাক আশ্ৰয় দিয়া।' এইটো প্ৰাৰ্থনা জনাবলৈ মই উপবাস কৰিছোঁ। এই কাৰণে নহয় যে আজি মোৰ জন্ম দিন আৰু ইয়াক মই এটা মহত্বৰ দিন বুলি ভাবোঁ।"

ফুৰি চাকি অহাৰ পিচত গা-পা ধুই বাপু ৮॥ বজাত উদি হ'ল। মীৰা বহনে বাপু বহা ঠাই ডোখৰৰ সমুখতে ফুলেৰে কলাত্মক ধৰণে 'ওঁ হে ৰাম' আৰু ক্ৰচ আঁকিছিল। আমি সকলোৱে বাপুক সূতাৰ মালা পিন্ধাইছিলোঁ আৰু ভৰিত ধৰি প্ৰণাম জনাইছিলোঁ। তাৰ পিচত অলপ সময়ৰ কাৰণে প্ৰাৰ্থনা কৰিছিলোঁ। প্ৰাৰ্থনাৰ সময়ত জৱাহৰলাল আৰু ইন্দিৰা গান্ধী, ঘনশ্যাম দাস বিৰলা আৰু তেওঁৰ পৰিয়াল, কন্‌হৈয়ালাল মুন্‌চী, চি. এইচ্ ভাৱা, ডাঃ জীৱৰাজ মেহতা, চৰ্দ্দাৰ পেটেল আদি বহুতো মানুহৰে কোঠাটো ভৰি পৰিছিল। সকলো ধৰ্ম্মৰেই প্ৰাৰ্থনা কৰাৰ পিচত সকলো গুচি গ'ল। আৰু ইপিনে বাপুৰ কাঁহ আৰম্ভ হ'ল।

এজন মানুহে কবলৈ ধৰিলে—"বাপুজী আপোনাৰ কাঁহ এতিয়াও কমা নাই?" বাপুই উত্তৰ দিলে—"ৰামে কৰিলে কমিব, নহলে এই কাঁহৰ লগতেই সিপাৰ হব পাৰিলেতো ভালেই হয়। মই এতিয়া ১২৫ বছৰ জীয়াই থাকিবলৈ ইচ্ছা নকৰোঁ। আপোনালোকেও এইটো প্ৰাৰ্থনা কৰিব লাগে যে—'হে ভগবান, হয়তো এই দাবানলৰ মাজৰ পৰা

বাপুক মাতি নিয়া নতুবা ভাৰতৰ সু-বুদ্ধি দিয়া।' মই ইংৰাজসকলৰ লগত যুজোতেও কেতিয়াও ইমান হতাশ হোৱা নাছিলোঁ, কিন্তু ঘৰৰ কথা কাৰ আগত কওঁ? ভাই-ভাই কটা-কটি কৰা চাবলৈ মই জীয়াই থাকিবলৈ নোখোজোঁ।"

এইবোৰ মানুহ ১০ বজাত গুচি গ'ল। তথাপি বাপুক প্ৰণাম কৰিবলৈ আকৌ বহুত মানুহ আহিছিল। কাকা চাহেব, গাডগীল, দেবদাস গান্ধী আৰু তেওঁৰ পৰিয়াল, ভটনগৰ, চাৰ দাতাৰ সিংহ, আৰ্থৰ মূৰ আৰু চন্মুখম্ চেট্টী আহিছিল। তেওঁলোকৰ. পিচত ১১-৪০ মিনিটত চৰ্দ্দাৰ পেটেল, মণি বহন, গণেশ দত্ত, প্ৰোঃ আব্দুল মজীদ, বৰ্ম্মাৰ হাই কমিছনাৰ এচ. এল. এ. আঁাগ, চীনৰ হাই কমিছনাৰ ডাঃ এম্. আঁাম চু আহিছিল। তেওঁলোকে তেওঁলোকৰ প্ৰধান মন্ত্ৰীসকলৰ চিঠি আৰু ফুল লৈ আহিছিল। এই সকলোবোৰৰ লগত কথা-বতৰা পাতি ১২-৩০ বজাত কোনো মতে বাপুই অলপ বিশ্ৰাম কৰিবলৈ সময় পাইছিল। পোন্ধৰ মিনিটমান শুবলৈ নৌ পাওঁতেই দৰ্শকসকলৰ ধাৰ ধৰিবলৈ ধৰিলে। দুই বজাৰ পৰা তিনি বজালৈ সামূহিক ৰূপে সূতা কটা হৈছিল। ৪-১০ মিনিটত লেডী মাউণ্টবেটেন আহিছিল আৰু ৪-৩৫ মিনিটত উভতি গৈছিল। তেওঁ যোৱাৰ পিচতেই হুমায়ুন কবীৰ, শ্ৰীধৰনী-আৰু ফ্ৰান্সৰ মো, লোজিয়ৰ আৰু তেওঁৰ পৰিবাৰ আহিছিল। দেশ-বিদেশৰ প্ৰায় এহেজাৰতকৈও বেছি টেলিগ্ৰাম আহিছিল। বাপুজীৰ ভৰিৰ ওচৰত টকাৰ দ'ম বান্ধি গৈছিল।

২ অক্টোবৰৰ দিনটো বৰ আনন্দেৰে পাৰ হ'ল। ৰাতি ৰেডিয়োত সুন্দৰ কাৰ্য্যক্ৰম আছিল। মই বাপুক কলো— "আজি আপুনি ৰেডিও শুনক।" বাপুই কলে—"ইয়াত শুনিবৰ কি আছে? ৰেডিওৰ সেই ভজনবোৰ শুনাতকৈ চৰখা সংগীত শুনা ভাল।"

চৰখা জয়ন্তীৰ দিনাখন দিল্লীৰ গুজৰাটী ভাইসকলে অলপ চান্দা তুলিছিল। বাপুৰ গা ভাল নহয়। সেই কাৰণে চৰ্দ্দাৰ পেটেলে কলে—"আপোনাৰ ইমান কাঁহ উঠা সত্ত্বেও গুজৰাটীসকলৰ মিটিঙলৈ যাম বুলি কিয় সম্মতি দিছে? আপুনি ইমান লোভী যে য'তেই টকা পোৱাৰ সম্ভাৱনা দেখে তালৈ মৰি হজিও দৌৰ মাৰে। এইবোৰ ফণ্ড-চাণ্ড তো হৈয়েই থাকিব। সেই ৰকমে ঠোঁ ঠোঁ কৰি যাবৰ কি আৱশ্যক? মই জানো যে আপুনি মোৰ কথা নুশুনে।" (হাঁহিৰ খলকনি উঠিল।) বাপু আৰু চৰ্দ্দাৰৰ ভিতৰত এনেকুৱাই সম্বন্ধ আছিল।

'তাৰ পিচত মিটিঙত যেতিয়া চৰ্দ্দাৰক অলপ কবলৈ কলে তেতিয়াও বেচ মজা লাগিছিল। চৰ্দ্দাৰে কলে—"আজি মোৰ জন্ম দিন নহয়। আপোনালোকে পইচা তুলি এই মহাত্মাক দিব ওলাইছে আৰু মই বকিবলৈ ওলাইছোঁ। কিন্তু বাপুতো পক্কা বনিয়া। বনিয়াসকল বৰ লোভী। চাওক ইমান কাঁহ আৰু দুৰ্ব্বলতাৰ ভিতৰতো আপোনালোকক ঠগাবৰ শক্তি উৎপন্ন হৈছে। (খুব হাঁহিৰ খলকনি।)

কিন্তু আপোনালোকৰ ওচৰত মোৰ এয়ে প্ৰাৰ্থনা যে আপোনালোকে যেন তেওঁক বিশ্ৰাম লবলৈ দিয়ে।"

বাপুই যঁতৰৰ গতি আকৌ বেছি কৰিবলৈ মনত পেলাই দিলে।

সেই বছৰৰ জন্ম দিনটো যেনেকুৱা হাঁহি-ধেমালিৰ মাজেৰে পালন কৰা হৈছিল, আগলৈ তেনেকুৱা কন্দা-কটাৰ মাজেৰে পালন কৰা হয়। কিন্তু অন্ধকাৰৰ মাজতো অকণ-মানি চাকি এটায়ো যেনেকৈ বহুত পোহৰ দিয়ে আৰু তাতেই আমি সন্তোষ পাওঁ, ঠিক সেইদৰে যদি আমি বাপুক বাৰে বাৰে স্মৰণ কৰোঁ, তেওঁ দেখুওৱা পথেৰে যাওঁ, তেনেহলে তেওঁ আমাক পোহৰ দেখুৱাব আৰু তাতেই আমি সন্তুষ্ট হব লাগিব।

"ঈশ্বৰ আল্লাহ তেৰে নাম, সবকো সম্মতি দে ভগৱান'— আমি তেওঁৰ নিতৌ কৰা এই প্ৰাৰ্থনাটো কৰি তেওঁক প্ৰণাম জনাওঁহক।

যোৱা চৰখা জয়ন্তীৰ দিনাখন বাপুৱে আমাক 'হয়তো ভাৰতবৰ্ষ শুদ্ধ হৈ যাওক নাইবা মই নাথাকোঁ' এইটো প্ৰাৰ্থনা কৰিবলৈ কৈছিল। আহাঁ, আমি সেই প্ৰাৰ্থনাটোকে কৰি ভগবান আৰু বাপুক কওঁ—

"আমাক প্ৰকৃত পথ দেখুওৱা। আমাৰ পাপৰ প্ৰতি লক্ষ্য নকৰিবা।"

—অন্ত—